**মৃতদেহ হৈ ঘৰলৈ গ'ল ময়ূৰ**

ই-সংবাদ, ২১ ডিচেম্বৰঃ গুৱাহাটীত এতিয়া মানুহৰ জীৱন আৰু সম্পত্তিৰ সুৰক্ষা একেবাৰে ২ পৃষ্ঠাত চাওক


www.newsnextone.com

# e সংবাদ

ROYAL CONSTRUCTION
MANUFACTURER OF
CEMENT BRICK, PAVER BLOCK, COLOR PAVER BLOCK, CEMENT TILES
FACTORY ADDRESS
TITKURI, KAMARGAON, RANGIA, KAMRUP(R)
CALL: +91 88 76 99 50 95, +91 99 57 41 80 39

SUNDAY, DECEMBER 22, 2024 ■ দেওবাৰ, ৬ পুহ, ১৯৪৬ শকাব্দ ■ www.newsnextone.comৰ অনলাইন দৈনিক ■ প্ৰথম বছৰ, সংখ্যা ৩৪৯ Guwahati, Assam ।। মূল্যঃ এটকা

# মানুহৰ ৰেহ-ৰূপ চাই অন্য সৌৰজগতলৈ সূৰ্য



## ডাৱৰে ঢাকিব নোৱৰা সূৰ্য হৈ ৰ'ব

■ নয়ন অসম কলিয়াবৰীয়া

সূৰ্য দাসৰ মৃত্যু হোৱা নাই। মৃত্যু হৈছে অসমীয়া প্ৰগতিশীল, জাতীয়তাবাদী বিপ্লৱী সংগীতৰ যাউতিযুগীয়া শেষাংশ ৩ পৃষ্ঠাত

ই-সংবাদ, গুৱাহাটী-মৰিগাঁও-কামপুৰ, ২১ ডিচেম্বৰঃ মানুহ দেখিছোঁ আজি, বহুত মানুহ... গীতেৰে অসম তোলপাৰ লগোৱা গণ শিল্পী সূৰ্য দাসৰ আজি মৰিগাঁও জিলাৰ ধৰমতুলত থকা তেওঁৰ অস্থায়ী ৪ পৃষ্ঠাত চাওক

## চাৰি বছৰ ধৰি আহি নাপালে মূৰ্তি!



ই-সংবাদ, কামপুৰ, ২১ ডিচেম্বৰঃ মানুহ দেখিছো আজি বহুত মানুহ... এই মানুহ দেখা জনতাৰ পৰিৱৰ্তনকামী সদা সংগ্ৰামৰ শেষাংশ ৬ পৃষ্ঠাত

### ব্যৱহৃত গাড়ীতো আৰোপ ১৮ শতাংশ জিএছটি

# জিএছটিৰে পুনৰ জনতাক মাধমাৰ কেন্দ্ৰৰ

নতুন দিল্লী, ২১ ডিচেম্বৰঃ জিএছটিৰ মাধমাৰৰ পৰা নিস্তাৰ নহ'ল সাধাৰণ জনতাৰ। ৰাইজৰ প্ৰত্যাশাক ভৰিৰে মোহাৰি কেন্দ্ৰীয় চৰকাৰে পুনৰ বিভিন্ন সামগ্ৰীৰ ওপৰত বৃদ্ধি কৰিলে জিএছটি। ৰাজস্থানৰ জয়ছালমেৰত শনিবাৰে অনুষ্ঠিত ৬ পৃষ্ঠাত চাওক



## সমাজ কোন দিশে?

■ ড০ দয়ানন্দ শ্বাহ



ন-শৰ্কৰী

কোনো সভ্যতাৰ প্ৰকৃত বিৱৰ্তন হয়াৰ শিক্ষা, সমাজ, যাতায়ত ব্যৱস্থাৰ পৰিৱৰ্তনৰ জৰিয়তে বুজিব পাৰি। হাজাৰ হাজাৰ বছৰৰ ইতিহাসেৰে সমৃদ্ধ ভাৰতে এই শেষাংশ ২ পৃষ্ঠাত

## ৰাছিয়াত ০৯/১১ আৰ্হিত আক্ৰমণ!

মস্কো, ২১ ডিচেম্বৰঃ ৰাছিয়াৰ কাজানত তিনিটাকৈ সুউচ্চ অট্টালিকাত সংঘটিত ড্ৰ'ন আক্ৰমণৰ পিছতে সৃষ্টি হৈছে আতংকময় পৰিৱেশৰ। শনিবাৰে সংঘটিত এই ড্ৰ'ন আক্ৰমণৰ পিছতে কাজানৰ আকাশ শেষাংশ ৬ পৃষ্ঠাত

## মুছলেকক অৱশেষত মুক্তি

ই-সংবাদ, সোণাৰি, ২১ ডিচেম্বৰঃ এনএছচিএনৰ কবলৰ পৰা অৱশেষত মুক্তি লাভ শেষাংশ ৭ পৃষ্ঠাত

### নিজ দলেই আওকাণ কৰিলে হিমন্তৰ জ্ঞানৰ বাণী!

# মুখ্যমন্ত্ৰীৰ কথা নামানি গুৱাহাটীত বিজেপিৰ প্ৰতিবাদ




## ৰাহুলক গ্ৰেপ্তাৰৰ দাবী

ই-সংবাদ, ২১ ডিচেম্বৰঃ কথা চহকী অসমৰ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই দিনক-ৰাতি, ৰাতিক দিন কৰি পেলাওতে বেছি সময় নালাগে। শেষাংশ ৭ পৃষ্ঠাত

### টংলাত শিহৰণকাৰী হত্যাকাণ্ড

## সতীয়া ভাতৃয়ে প্ৰাণ ল'লে দুই ভাতৃৰ



ই-সংবাদ, ওদালগুৰি, ২১ ডিচেম্বৰঃ এক ভয়ংকৰ ঘটনাই জোকাৰি গ'ল ওদালগুৰি জিলাৰ টংলা। বিদ্যালয়লৈ বুলি ওলাই শেষাংশ ৩ পৃষ্ঠাত

### মোদীৰ হাতত আৰবীলৈ অনুদিত মহাভাৰত

# ৪৩ বছৰৰ পিছত কুৱেইটত ভাৰতৰ প্ৰধানমন্ত্ৰী



নতুন দিল্লী, ২১ ডিচেম্বৰঃ সুদীৰ্ঘ চাৰিটা দশকৰ পাছত কুৱেইটৰ মাটিত ভৰি দিলে ভাৰতৰ প্ৰধানমন্ত্ৰীয়ে। শেষাংশ ৬ পৃষ্ঠাত

## কঠোৰ হোৱাৰ সিদ্ধান্ত উত্তৰ-পূৰ পৰিষদৰ বৈঠকত ড্ৰাগছৰ প্ৰসংগ

আগৰতলা, ২১ ডিচেম্বৰঃ উত্তৰ-পূৰ্বৰ সীমান্তৱৰ্তী ৰাজ্য ত্ৰিপুৰাৰ ৰাজধানী আগৰতলাত উত্তৰ-পূৰ পৰিষদৰ ৭২ সংখ্যক পূৰ্ণাংগ বৈঠক দুদিনীয়া শেষাংশ ৫ পৃষ্ঠাত

## চুমা খাই ফুৰাৰ বাদে ভাল কাম কৰা নাই মুখ্যমন্ত্ৰীয়ে!

### ঢেকীয়াজুলিত কটাক্ষ অখিলৰ

ই-সংবাদ, ঢেকীয়াজুলি, ২১ ডিচেম্বৰঃ অসমৰ ৰাজনীতিত শালীনতা এতিয়া একেবাৰে নোহোৱা হৈছে। কি মুখ্যমন্ত্ৰী, কি মন্ত্ৰীসকল, কি বিৰোধীৰ দলৰ নেতাসকল, শেষাংশ ৫ পৃষ্ঠাত

প্ৰথম পৃষ্ঠাৰ পৰা...

# সমাজ কোন দিশে?

তিনিটা ক্ষেত্ৰত স্বাধীনতাৰ পূৰ্বে আৰু পিছতো অভূতপূৰ্ব পৰিৱৰ্তন সাক্ষী হৈ আহিছে। এই পৰিৱৰ্তন কেৱল স্থানীয় প্ৰয়োজনীয়তা পূৰণৰ বাবেই নহয়, বৈজ্ঞানিক উৎকৃষ্টতা আৰু প্ৰযুক্তিগত উন্নতিৰ জৰিয়তে ভৱিষ্যতৰ বাবে এক সুদৃঢ় ভেটি গঢ়ি তোলাত সহায় কৰিছে।

স্বাধীনতাৰ পূৰ্বে ব্ৰিটিছ শাসনে শিক্ষা খণ্ডত গভীৰ প্ৰভাৱ পেলাইছিল। ইংৰাজৰ স্বাৰ্থত ভাৰতীয় শিক্ষা ব্যৱস্থা কেন্দ্ৰীভূত হৈছিল। ১৮৩৫ চনৰ মেকলেৰ মিনিটছ অনুসৰি স্থানীয় ভাষাতকৈ ইংৰাজী ভাষাত পাঠদানৰ ওপৰত গুৰুত্ব দিয়া হৈছিল। এই ব্যৱস্থাৰ জৰিয়তে কেৰাণীসকলক কেৱল ব্ৰিটিছ প্ৰশাসনিক গাঁথনিৰ ভিতৰত কাম কৰিবলৈ প্ৰশিক্ষণ দিয়া হৈছিল। পৰম্পৰাগত বিদ্যালয় আৰু মাদ্ৰাছাসমূহ অৱহেলা কৰা হৈছিল আৰু শিক্ষাৰ সুযোগসমূহ বহুলাংশে নগৰীয়া আৰু অভিজাত শ্ৰেণীৰ মাজতে সীমাবদ্ধ হৈ আছিল।

কিন্তু ভাৰতে স্বাধীনতা লাভ কৰাৰ পিছতে শিক্ষা ব্যৱস্থাত আৰম্ভ হয় এক সোণালী পৰিৱৰ্তনৰ যুগ। শিক্ষাক জনসাধাৰণৰ বাবে অধিক সুলভ কৰি তুলিবলৈ সংবিধানে ঘোষণা কৰিছিল যে প্ৰাথমিক শিক্ষা বাধ্যতামূলক আৰু বিনামূলীয়া হ'ব। বিভিন্ন ৰাজ্যত চৰকাৰী বিদ্যালয় স্থাপন আৰু গ্ৰামাঞ্চলত শিক্ষাৰ সম্প্ৰসাৰণৰ জৰিয়তে শিক্ষাৰ সুবিধা বৃদ্ধি কৰা হয়। স্বাধীনতাৰ পিছৰ দশকবোৰত বিশ্ববিদ্যালয় আৰু গৱেষণা প্ৰতিষ্ঠানৰ সংখ্যা যথেষ্ট বৃদ্ধি পাবলৈ আৰম্ভ কৰে।

এতিয়া সময় যিমানেই আগবাঢ়িছে বিজ্ঞান আৰু প্ৰযুক্তিৰ ভূমিকাই শিক্ষাৰ ক্ষেত্ৰত এক বিপ্লৱ কঢ়িয়াই আনিছে। ডিজিটেল শ্ৰেণীকোঠা আৰু অনলাইন শিক্ষাৰ প্ৰসাৰে আধুনিক যুগত শিক্ষাৰ ধাৰণাটো আমূলভাৱে সলনি কৰি পেলাইছে। ইণ্টাৰনেটৰ জৰিয়তে দূৰৱৰ্তী অঞ্চলতো গুণগত শিক্ষা লাভ কৰাটো সম্ভৱ হৈ উঠিছে।

ক'ভিড-১৯ মহামাৰীৰ সময়ত ডিজিটেল শিক্ষাৰ গুৰুত্ব আৰু অধিক স্পষ্ট হৈ পৰিছে। আজি ভাৰ্চুৱেল শ্ৰেণীকোঠা, ই-লাৰ্নিং প্লেটফৰ্ম, আৰু মোবাইল এপ্লিকেচনৰ জৰিয়তে বিশ্বৰ যিকোনো ঠাইৰ পৰা ছাত্ৰ-ছাত্ৰীয়ে শিক্ষা লাভ কৰিব পাৰে। এই পৰিৱৰ্তনে শিক্ষাক অধিক সুলভ কৰি তোলাই নহয়, ইয়াৰ গুণগত মানো বৃদ্ধি কৰিছে।

স্বাধীনতাৰ আগতে ভাৰতীয় সমাজ গ্ৰাম্য আৰু কৃষি নিৰ্ভৰশীল আছিল। কৃষি আছিল মূল জীৱিকা, আৰু গ্ৰাম্য অৰ্থনীতি আছিল কৃষিৰ ওপৰত নিৰ্ভৰশীল। সমাজত সামন্তীয় গাঁথনি আছিল, জাতি আৰু লিংগ বৈষম্যৰ প্ৰচলন আছিল। বেছিভাগ মানুহ নিৰক্ষৰ আছিল আৰু মহিলাসকল শিক্ষাৰ অধিকাৰৰ পৰা বঞ্চিত হৈছিল।

স্বাধীনতাৰ পিছত সমাজ ব্যৱস্থাতো আৰম্ভ হয় উল্লেখযোগ্য পৰিৱৰ্তন। ঔদ্যোগীকৰণ আৰু নগৰায়নে অৰ্থনীতিৰ গাঁথনি সলনি কৰি পেলালে। গ্ৰাম্য অঞ্চলৰ পৰা চহৰলৈ মানুহৰ প্ৰব্ৰজন আৰম্ভ হ'ল, যাৰ ফলত কৰ্মসংস্থাপন আৰু জীৱনৰ মান উন্নত হ'ল। কিন্তু ইয়াৰ ফলত কৃষিৰ প্ৰতি উদাসীনতা বাঢ়িছে। ক্ৰমান্বয়ে কৃষিৰ লগত জড়িত লোকৰ সংখ্যা কমি আহিছে, যাৰ ফলত গ্ৰাম্য অৰ্থনীতিত এক প্ৰকাৰৰ সংকটৰ সৃষ্টি হৈছে।

সমাজত নাৰী সবলীকৰণ আৰু জাতিগত বৈষম্য দূৰ কৰাৰ বাবে স্বাধীনতাৰ পিছৰ সময়ছোৱাত ডাঙৰ ডাঙৰ পদক্ষেপ গ্ৰহণ কৰা হৈছিল। শিক্ষাৰ সম্প্ৰসাৰণ, কৰ্মক্ষেত্ৰত মহিলাৰ অংশগ্ৰহণ, আইনী সুৰক্ষা আদিৰ জৰিয়তে সমাজত লিংগ বৈষম্য হ্ৰাস কৰা সম্ভৱ হৈছে।

কিন্তু গ্ৰাম্য আৰু নগৰীয়া সমাজৰ মাজত থকা বৈষম্য এতিয়াও সম্পূৰ্ণৰূপে নাইকিয়া হোৱা নাই।

স্বাধীনতাৰ আগতে ভাৰতৰ যাতায়ত ব্যৱস্থা ৰেলপথ আৰু ব্ৰিটিছে নিৰ্মাণ কৰা সীমিত পথৰ ওপৰত নিৰ্ভৰশীল আছিল। ৰেলপথ নিৰ্মাণ ব্ৰিটিছৰ বাণিজ্যিক স্বাৰ্থৰ দ্বাৰা পৰিচালিত হৈছিল আৰু ইয়াক মূলতঃ ঔপনিৱেশিক শাসনৰ সুবিধাৰ বাবে ব্যৱহাৰ কৰা হৈছিল। গ্ৰাম্য অঞ্চলৰ পথৰ অৱস্থা অত্যন্ত দুৰ্বল আছিল আৰু পৰিবহণ ব্যৱস্থাও আছিল প্ৰায় অপৰ্যাপ্ত।

স্বাধীনতাৰ পাছত ভাৰতৰ পৰিবহণ ব্যৱস্থাত যথেষ্ট উন্নতি হয়। ৰেলপথৰ সম্প্ৰসাৰণ, ৰাষ্ট্ৰীয় আৰু ৰাজ্যিক ঘাইপথ নিৰ্মাণ, বিমান পৰিবহণ ব্যৱস্থাৰ বিকাশে যোগাযোগৰ সুবিধা প্ৰদান কৰিছে। গ্ৰাম্য পথ প্ৰকল্পই দুৰ্গম অঞ্চলৰ পথ পকীকৰণ কৰি গ্ৰাম্য অৰ্থনীতিৰ উন্নয়নত বিশেষ ভূমিকা গ্ৰহণ কৰিছে।

পৰিবহণ ব্যৱস্থাৰ আধুনিকীকৰণত বিজ্ঞান আৰু প্ৰযুক্তিয়ে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছে। বৈদ্যুতিক ৰে'ল, মেট্ৰ' সেৱা আৰু বুলেট ট্ৰেইনৰ পৰিকল্পনাই ভাৰতৰ পৰিবহণ ব্যৱস্থাক বিশ্বৰ মানচিত্ৰত উচ্চ স্থানলৈ লৈ গৈছে। ইয়াৰ উপৰিও মোবাইল নেটৱৰ্ক আৰু জিপিএছ প্ৰযুক্তিয়ে পৰিবহণ ব্যৱস্থাটোক অধিক কাৰ্যক্ষম আৰু সুৰক্ষিত কৰি তুলিছে আজিৰ সময়ত। স্বাধীনতাৰ পিছত ভাৰতৰ শিক্ষা, সমাজ, যাতায়ত ব্যৱস্থা পৰিবৰ্তনৰ ক্ষেত্ৰত বিজ্ঞানৰ অৱদান অপৰিসীম পৰিগণিত হৈ আহিছে। প্ৰযুক্তিৰ ব্যৱহাৰে কেৱল বিকাশৰ গতি ত্বৰান্বিত কৰাই নহয়, সামাজিক আৰু অৰ্থনৈতিক বৈষম্য দূৰ কৰাৰ ক্ষেত্ৰতো গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আজি এখন বিকাশশীল আৰু উন্নত সমাজ গঢ়ি তুলিছে।

কিন্তু উন্নয়নৰ লগে লগে কিছু প্ৰত্যাহ্বানৰো উন্মেষ ঘটিছে। নগৰায়নৰ ফলত পৰিৱেশ প্ৰদূষণ বৃদ্ধি পাইছে, আৰু কৃষিৰ প্ৰতি উদাসীনতাই গ্ৰাম্য অৰ্থনীতিৰ ভাৰসাম্য বিঘ্নিত কৰিছে। এই সমস্যাসমূহৰ সমাধানৰ বাবে অধিক ফলপ্ৰসূ নীতি আৰু প্ৰযুক্তিগত উদ্ভাৱনৰ প্ৰয়োজন।

স্বাধীনতাৰ আগতে ভাৰতৰ শিক্ষা ব্যৱস্থা, সমাজ, যাতায়ত ব্যৱস্থা ইংৰাজ শাসনৰ দ্বাৰা প্ৰভাৱিত আৰু সীমিত আছিল। স্বাধীনতাৰ পিছত এই তিনিটা ক্ষেত্ৰত ব্যাপক পৰিৱৰ্তন ঘটিছে। বিজ্ঞান আৰু প্ৰযুক্তিৰ সঠিক প্ৰয়োগৰ জৰিয়তে ভাৰতে কেৱল উন্নয়নৰ পথত আগবাঢ়ি যোৱাই নহয়, ভৱিষ্যতৰ বাবেও সুদৃঢ় ভেটি স্থাপন কৰিছে। অৱশ্যে প্ৰত্যাহ্বানসমূহ মোকাবিলা কৰিবলৈ অধিক পদক্ষেপ লোৱাৰ প্ৰয়োজন যাতে ভাৰতে নিজৰ পূৰ্ণ সম্ভাৱনাত উপনীত হ'ব পাৰে।

প্ৰথম পৃষ্ঠাৰ পৰা...

# মৃতেদহ হৈ ঘৰলৈ গ'ল ময়ূৰ

নোহোৱা হৈছে। কেতিয়াবা যদি চিলনী চোৰে দিন-দুপৰতে মিহলাৰ ডিঙিৰ পৰা চেইন থপিয়াই নিছে, কেতিয়াবা আকৌ চুৰি-ডকাইতি কাণ্ড সংঘটিত হৈছে। যেতিয়াই ইচ্ছা তেতিয়াই দুষ্কৃতিকাৰীয়ে কাণ্ড সংঘটিত কৰি যাবলৈ সক্ষম হৈছে। এইবাৰ যেন সকলো সীমাই অতিক্ৰম কৰিলে। এইবাৰ গুৱাহাটীত কাম সন্ধানত অহা যুৱকক হত্যা কৰি পেলাই থৈ যোৱাৰ দৰে কাণ্ড সংঘটিত হৈছে গুৱাহাটী মহানগৰীত। অপৰাধীৰ ৰম্যভূমি হৈ পৰা গুৱাহাটী মহানগৰীৰ ভঙাগড়ৰ চিলাৰায় নগৰত যুৱকক হত্যা কৰি মৃতদেহ পেলাই থৈ যোৱাৰ কাণ্ডই তীব্ৰ চাঞ্চল্যৰ সৃষ্টি কৰিছে। চিচিটিভিত বন্দী হোৱা দৃশ্যত মৃতদেহ কেনেদৰে থৈছিল সেয়া স্পষ্ট হৈ পৰিছে। হত্যাৰ বলি যুৱকজন হৈছে মৰম ময়ূৰ দত্ত। মৰম ময়ূৰ দত্তৰ ঘৰ হৈছে লখিমপুৰৰ মৈয়দডঙিয়াত। জানিব পৰা অনুসৰি ২০ দিন আগত মৰম ময়ূৰে কামৰ সন্ধানত গুৱাহাটীলৈ আহিছিল। কিন্তু কামৰ সন্ধানত থকা অৱস্থাতে মৰম ময়ূৰৰ প্ৰাণ ল'লে অচিনাক্ত ঘাতকে। এগৰাকী যুৱতীৰ সৈতে প্ৰেমৰ সম্পৰ্ক আছিল আৰু দুদিন পূৰ্বে পূব শৰণীয়াত আছিল মৰম ময়ূৰ। কিন্তু হঠাতে ভঙাগড়ৰ চিলাৰায় নগৰত মৰম ময়ূৰৰ মৃদেহ উদ্ধাৰ হোৱাত আৰক্ষীয়ে তদন্ত কৰাত চিচিটিভিত বন্দী হোৱা কিছু দৃশ্য লাভ কৰে। হত্যা কৰি মৰম ময়ূৰক পেলাই থৈ যোৱাৰ সন্দেহ কৰা হৈছে। মৃতদেহত মোবাইল ফোন আৰু মানিবেগো নাছিল। এই ঘটনাটোৱে সমগ্ৰ মহানগৰীতে চাঞ্চল্যৰ সৃষ্টি কৰিছে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# সতীয়া ভাতৃয়ে প্ৰাণ ল'লে দুই ভাতৃৰ

যোৰা দুই ভাতৃ প্ৰথমে নিৰুদ্দিষ্ট হোৱাৰ পাছত আজি দুয়োৰে মৃতদেহ উদ্ধাৰৰ ঘটনাই চাঞ্চল্যৰ সৃষ্টি কৰে। উল্লেখ্য যে, টংলা কেন্দ্ৰীয় জাতীয় বিদ্যালয়ৰ দুই ছাত্ৰ গৌৰৱ শৰ্মা আৰু কৌশিক শৰ্মা শুকুৰবাৰে বিদ্যালয়লৈ যোৱাৰ পাছৰে পৰাই নিখোজ হৈ আছিল। টংলা আৰক্ষী থানাৰ অন্তৰ্গত যোৰপুখুৰীৰ মহেন্দ্ৰ শৰ্মা আৰু গীতা শৰ্মাৰ পুত্ৰ এই দুয়ো ছাত্ৰ। শুকুৰবাৰৰ দুয়ো ছাত্ৰ নিৰুদ্দিষ্ট হোৱাৰ পাছত দুয়োকে বিচাৰি ছলাথ কৰাৰ পাছতো কোনো সম্ভেদ পোৱা নাছিল পৰিয়াল, বিদ্যালয় কৰ্তৃপক্ষ, আৰক্ষী কিম্বা স্থানীয় লোকে। কিন্তু অতি দুৰ্ভাগ্যজনকভাৱে আজি টংলাৰ শস্ত্ৰপাৰাত দুয়ো ছাত্ৰৰ মৃতদেহ উদ্ধাৰ হয়। সন্দেহ কৰা অনুসৰি কোনো দুৰ্বৃত্তই হত্যা কৰি পেলাই থৈ গৈছে। দুয়োগৰাকী ছাত্ৰৰে মৃতদেহ ডিঙিত চোকা অস্ত্ৰৰে কটা ৰক্তাক্ত অৱস্থাত উদ্ধাৰ কৰা হৈছে। মৃত গৌৰৱ শৰ্মাৰ বয়স ১২ বছৰ আৰু কৌশিক শৰ্মাৰ ১৩ বছৰ বয়স। গুৰুত্বপূৰ্ণ কথাটো হ'ল দুয়োগৰাকী ছাত্ৰৰ মৃতদেহ যি স্থানত উদ্ধাৰ হৈছে তাৰ পৰা প্ৰায় ৩ কিলোমিটাৰমান নিলগত তেওঁলোকৰ বাসগৃহ। শিশু দুটিৰ পিতৃ মহেন্দ্ৰ শৰ্মা পেছাত এগৰাকী গাড়ী চালক। শৰ্মাৰ দুগৰাকী পত্নীৰ প্ৰথমগৰাকী অসমৰ বাহিৰত থকাৰ বিপৰীতে তেওঁৰ সন্তানগৰাকী নীৰজ শৰ্মা আছিল টংলাত। একেদৰে দ্বিতীয় পত্নী গীতা শৰ্মাই দুই সন্তানৰ সৈতে টংলাতে বসবাস কৰিছিল। আজি ঘটনা সংঘটিত হোৱাৰ পাছত ঘটনা সন্দৰ্ভত পৰিয়ালৰ লোকৰ পৰা জানিব বিচৰাত তেওঁলোকৰ কোনো লোকৰ ওপৰত সন্দেহ নাই বুলি উল্লেখ কৰে। ইফালে ঘটনা পোহৰলৈ অহাৰ পাছত আজি বিয়লি প্ৰতিবাদমুখৰ হৈ পৰে টংলা চহৰ। কেইৰাটাও দল-সংগঠন তথা স্থানীয় ৰাইজৰ স্বতঃস্ফুত সহযোগেৰে টংলা চাৰিআলিত প্ৰতিবাদ সাব্যস্ত কৰি হত্যাকাৰীক ফাঁচি দিয়ক ধ্বনি প্ৰদান কৰে। সমান্তৰালভাৱে ওদালগুৰি আৰক্ষীয়ে আজি সন্ধিয়া টংলাত এক সংবাদমেল সম্বোধন কৰে। উক্ত সংবাদমেলত উপস্থিত থাকি বিটিএডিৰ আইজিপি আৰু ওদালগুৰি জিলা আৰক্ষী অধীক্ষক গৰাকীয়ে সমগ্ৰ ঘটনাৰ বিৱৰণী প্ৰকাশ কৰি কয় যে টংলা মহাবিদ্যালয়ৰ স্নাতক প্ৰথম ষান্মাসিকৰ ছাত্ৰ নীৰজ শৰ্মাই উক্ত হত্যাকাণ্ডত পৰোক্ষভাৱে জড়িত। নিজ পিতৃৰ পৰা অৱহেলিত হৈ থকা বাবেই এনে ধৰণৰ ঘটনা সংঘটিত কৰাৰ কথা উল্লেখ কৰে আৰক্ষীয়ে। লগতে আৰক্ষীয়ে হত্যাকাণ্ডত ব্যৱহৃত চোকা অস্ত্ৰৰ লগতে এখন মটৰ চাইকেলো উদ্ধাৰ কৰাৰ কথা প্ৰকাশ কৰি মটৰ চাইকেলখন অভিযুক্ত নীৰজৰ মোমায়েকৰ বুলি জানিবলৈ দিছে। ঘটনা সন্দৰ্ভত আৰক্ষীয়ে তদন্ত অব্যাহত থকাৰ কথাও জানিবলৈ দিয়ে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# ডাৱৰে ঢাকিব নোৱৰা সূৰ্য হৈ ৰ'ব

ধাৰাটোৰ। এই ধাৰাটোৰ আৰম্ভণি হৈছিল ভূপেন হাজৰিকাত। বৰ্তমান সমাজত নচলা কেইজনমান গায়ক-গীতিকাৰ আছে মাত্ৰ। ময়ো এই নচলা কেইজনৰ ভিতৰৰে এজন। কোনেও নুশুনিলে, নাজানিলেও মৃত্যুৰ আগলৈকে এই ধাৰাৰ গীতকে গাই যাম। সূৰ্য দা বেয়া নাপাব, যাওক গৈ। আপোনাক বেলেগ একো দিব নোৱাৰিলো। আপোনাৰ ঘৰত এবেলা বহি বহু কথা পাতিছিলো। এটা সাংস্কৃতিক সন্ধিয়া মোক লগ পাই কৈছিল, আহা আজি তুমি আৰু মই গীতকে গাই যাও। সূৰ্য নমৰে। ডাৱৰে কেতিয়াবা নেদেখা কৰি ৰাখে। তাকো ক্ষন্তেকৰ বাবে। জিন্দাবাদ সূৰ্য দা। সূৰ্য দা ঢুকাল। অসমীয়া সংগীতৰ সেই জ্যোতি প্ৰসাদ আগৰৱালাই আৰম্ভ কৰা প্ৰগতিশীল ধাৰাটোৰ সমসাময়িকভাৱে বিষ্ণুপ্ৰসাদ ৰাভা, পাৰ্বতীপ্ৰসাদ বৰুৱা, লক্ষ্মীনাথ বেজবৰুৱা, ভূপেন হাজৰিকা, কেশৱ মহন্তৰ পৰা আৰম্ভ কৰি আজিৰ প্ৰজন্মৰ দায়িত্বশীল যিসকল গীতিকাৰ, সুৰকাৰ, সংগীত শিল্পীয়ে এই গোটেই যাত্ৰাটোত অসমীয়া আধুনীক গীতৰ ধাৰাটোক সুন্দৰভাৱে আগুৱাই লৈ গৈছে। ৪২ৰ ভাৰত ত্যাগ আন্দোলনৰ কথা, ৪৫ৰ দ্বিতীয় মহাসমৰৰ সময়ৰ কথা, স্বাধীনতা আন্দোলনৰ কথা, ভাৰতবৰ্ষৰ স্বাধীনতা আন্দোলনৰ কথা, সংগ্ৰামী সত্তাটোৰ কথা। বিষ্ণুপ্ৰসাদ ৰাভাৰ কমিউনিজিমৰ কথা। এই সকলোবিলাক বিদ্ৰোহী, বিপ্লৱী, প্ৰগতিশালী দায়বদ্ধ জীতায়তাবাদী, চিন্তা-চেতনাৰ গণসংগীতৰ ধাৰাটো আজি কিছুদিনৰ পৰা অসমীয়া গীতি-সাহিত্যত বিলুপ্তপ্ৰায়। অৰ্থাৎ ভূপেন হাজৰিকাতে অসমীয়াৰ গণ সংগীতৰ ধাৰাটোৰ অপমৃত্যু ঘটিছিল। গণ মাধ্যমৰ কথাটো ক'বলৈ গ'লে জ্যোতিপ্ৰসাদৰ আৰু শ্ৰীমন্ত শংকৰদেৱৰ পৰা ধৰিব পাৰো। যদিও শ্ৰীমন্ত শংকৰদেৱ ধৰ্মগুৰু আছিল, তেওঁক কেৱল ধৰ্মগুৰুৰ অভিধাৰে তুচ্ছ কৰিব নোৱাৰি। ভুল হ'ব তেওঁ আমি তেনেকৈ বিশ্লেষণ কৰিলে। শ্ৰীমন্ত শংকদেৱ আৰু মাধৱদেৱ আছিল অসমৰ সৰ্বকালৰ সৰ্বশ্ৰেষ্ঠ সাহিত্যিক, গীতিকাৰ, সুৰকাৰ, বাদক, নৰ্তক, চিন্তাশীল লেখক, সমাজবিজ্ঞানী। সেই ধাৰাটো জ্যোতিপ্ৰসাদৰ হাতত আহি আধুনিক সাহিত্যৰ মাজেৰে পাৰ হৈ গছে গছে পাতি দিলেৰ মাজেৰে বাট কাটি বিষ্ণুপ্ৰসাদৰ ৰাভাৰ বিদ্ৰোহী গীতৰ অন্তত ভূপেন হাজৰিকাৰ গণসংগীতৰ প্ৰগতিশীল ধাৰাটোৱে সাংঘাটিকধৰণে পৰিপক্কতা লাভ কৰিছিল। তাৰ পিছৰ প্ৰজন্মত সাধাৰণতে সূৰ্য দাস, লোকনাথ গোস্বামী, মহেন্দ্ৰ হাজৰিকা... নাম কৈ শেষ কৰিব নোৱৰা গীতিকাৰ, সুৰকাৰ। এই প্ৰগতিশীল ধাৰাটো বিগত ২০-২৫ বছৰে লাহে লাহে স্তব্ধ প্ৰায় হৈ পৰিছে। মোৰ এইটো ব্যক্তিগত অনুভৱ যে ভূপেন হাজৰিকাৰ মৃত্যুৰ লগে লগে অসমীয়া গণ সংগীতৰ ধাৰাটোৰ মৃত্যু ঘটিল। তাৰ পিছৰ পৰ্যায়ত আমি যিখিনি দেখিছো কিছু সংখ্যক মানুহ সদা গগৈ, মহেন্দ্ৰ হাজৰিকা বা সূৰ্য্য দাসক আমি সমসাময়িক গীতিকাৰ, সুৰকাৰ হিচাপে যদি ধৰো তাৰ পিছত প্ৰজন্মত পৰিলো আমি। আমাৰ সময়ৰ পৰা ৰোমান্টিক গান বা এচাম বিহু সুৰীয়া তেনেকুৱা ধৰণৰ গীত-মাত, মনোৰঞ্জন ধৰ্মী কিছুমান গীত-মাতৰ মাজতে আৱদ্ধ হৈ ৰ'ল। যদি অসমীয়া সংগীতৰ ধাৰাটোক লৈ এক সমীক্ষাত্মক অধ্যয়ন আগবঢ়াই বা গৱেষণামূলক অধ্যয়ন কৰা হয় তেতিয়া দেখিব প্ৰগতিশীল যিটো গণ সংগীত, বিপ্লৱী বা বিদ্ৰোহী গীতৰ ধাৰাটোত একেবাৰে নগণ্য সংখ্যক মানুহেই এই ধৰণৰ গান গাই আছিল। মই লাচিত, চাওলুং চ্যুকাফা, গণ সংগ্ৰামক লৈ গান গাইছো। ফিডোল কাষ্ট্ৰোক লৈ গান কৰিছো। আমি কিন্তু কাৰোৰে চকুত পৰা ধৰণৰ শিল্পী বা গায়ক, গীতিকাৰ নহয়। আমি এক ক্ষুদ্ৰ গণ্ডিৰ ভিতৰতে সোমাই থাকিলো। বিগত ২০, ২৫ বছৰে অসমীয়া গীত-মাতৰ যিটো পয়োভৰ বা অত্যাচাৰ চলিল তাক মই বেয়া নাপাও। জ্যোতি প্ৰসাদ, বিষ্ণুৰাভাৰ কালৰ পৰা ভূপেন হাজৰিকালৈ সাহিত্য-সংগীতকালৰ যদি বিশ্লেষণ কৰা হয় তেতিয়া দেখা পাব যে সংগীতৰ সেই ধাৰাটো এতিয়া নাই। কিন্তু কেইজনমান গণশিল্পীয়ে সেই ধাৰাটো বৰ্তাই ৰাখিছিল। তাৰ ভিতৰত অন্যতম হৈছে সূৰ্য দাস। আমি সেই ধাৰাটো অটুট ৰাখিবলৈ প্ৰয়াস কৰিছো। কিন্তু আমাক কোনেও চিনি নাপায়। কোনেও গান গাবলৈ নামাতে। আজি সূৰ্য দাস ঢুকাল। আজি ভূপেন হাজৰিকাৰ গান এটাও মেলে-মিটিঙে শুনিবলৈ নাপায়। আমি কেতিয়াবা ভূপেন হাজৰিকাৰ গান ১৫ জনীয়া দৰ্শকৰ সন্মুখত গাবলগীয়া হৈছে। মই শেষত কও যে সূৰ্য দাস আৰু আন আন গণশিল্পীয়ে এৰি থৈ যোৱা গণ সংগীত, বিপ্লৱী বা বিদ্ৰোহী গীতৰ ধাৰাটোক আনে কোনাবাই জীয়াই ৰাখব নে নাজানো। কিন্তু মই এককভাৱেও হ'লে গণ সংগীত, বিপ্লৱী বা বিদ্ৰোহী গীতৰ ধাৰাটো অটুট ৰাখিবলৈ বদ্ধপৰিকৰ। সূৰ্যদা হেৰাই নাযায়। হেৰাই যাব নোৱাৰে। অসমীয়া জাতিৰ বজ্ৰকণ্ঠ হৈ জাতিটোক আশীৰ্বাদ দি জাতিটোক যুঁজি যাবলৈ সূৰ্যদাই আন এক সৌৰজগতৰ পৰা আমাক সাহস যোগাই যাব।

ROYAL CONSTRUCTION
MANUFACTURER OF
CEMENT BRICK, PAVER BLOCK, COLOR PAVER BLOCK, CEMENT TILES
FACTORY ADDRESS : TITKURI, KAMARGAON, RANGIA, KAMRUP(R)
CALL: +91 88 76 99 50 95, +91 99 57 41 80 39

প্ৰথম পৃষ্ঠাৰ পৰা...

# মানুহৰ ৰেহ-ৰূপ চাই অন্য সৌৰজগতলৈ

বাসভৱনত আকস্মিকভাৱে মৃত্যু ঘটে। আপোন গাঁওখনলৈ ঘুৰি নহা বাটৰে গ'লগৈ নিশাৰী পাৰৰ শিল্পী সূৰ্য দা। গণ শিল্পী সূৰ্য দাস আৰু কেতিয়াও ভাদ মাহত নিজ জন্ম গাঁও তেতঁলীসৰাৰ বৰনামঘৰত ভাদ মাহত শৰাই দিবলৈ নাহে; নাহে কেতিয়াও ৰঙালী বিহুত নিশাৰী নৈ গা ধুৱাই গাঁৱৰ ডেকা-গাভৰুৰ লগত বিহু মাৰিবলৈ। একেবাৰে গলগৈ তেওঁ। আজি কামপুৰৰ সুযোগ্য সন্তান অসম গৌৰৱ গণশিল্পী সূৰ্য দাসৰ মৃত্যুত সমগ্ৰ অসমৰ লগতে জন্মভূমি কামপুৰ অঞ্চলত গভীৰ শোকৰ ছা পৰিছে। মৃত্যুৰ সময়ত তেঁওৰ বয়স আছিল ৮৫ বছৰ। গীতেৰে শ্ৰোতাৰ হৃদয়ত স্থান দখল কৰা, বৈপ্লৱিক চেতনাৰে অসম তোলপাৰ লগোৱা, অসমীয়া জাতিৰ এজন কল্যাণকামী বিপ্লৱী সূৰ্য দাসে নগাঁও জিলাৰ কামপুৰৰ তেতেলীসৰা গাঁৱত ১৯৪০ চনৰ ৩১ জুলাইত জন্ম গ্ৰহণ কৰিছিল। পিতৃ মাতৃৰ নাম আছিল ক্ৰমে জীউৰাম দাস আৰু পোনেশ্বৰী দাস। তেঁওৰ পূৰ্বপুৰুষসকল উত্তৰ গুৱাহাটীৰ পৰা আহি নগাঁও জিলাৰ কামপুৰৰ তেতেলীসৰা গাঁৱত নিগাজিকৈ বসবাস কৰিছিল। এই কলঙৰ পাৰে এই দলঙৰ ঘাটে, গুম গুম গাম গাম, ছাপ্ৰা বহুদূৰ, এই ঘৰেই ঘৰ নহয়, উৰিয়াম গছৰে আদি বহুকেইটা কালজয়ী গীত ৰচনা কৰা সূৰ্য দাসক অসম সাহিত্য সভাই এই বছৰ তেজপুৰত কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভা বঁটা প্ৰদান কৰিছিল। নিশাৰীপৰীয়া সূৰ্য দাসে তেতেলীসৰা আদৰ্শ প্ৰাথমিক বিদ্যালয়ত শিক্ষা গ্ৰহণ কৰাৰ পিছতে নগাঁৱত থাকিবলৈ লোৱাত শিক্ষাৰ সমান্তৰালকৈ গীত-মাতৰ স্পৃহাৰ তাড়নাত সেই সময়ৰ নগাঁৱৰ সুশীল বেনাৰ্জী, তাৰিকুদ্দিন আহমেদ, বিবেকানন্দ ভট্টাচাৰ্য আদি লোকসকলৰ ওচৰত সংগীতৰ আদিপাঠ গ্ৰহণ কৰিছিল। ১৯৫৭ চনত লামডিঙৰ এখন সাংস্কৃতিক মঞ্চত গীত শুনি ডঃ ভুপেন হাজৰিকাই তেওঁক কৈছিল "মই বাপুক অসমৰ ইমূৰৰ পৰা সিমূৰলৈ ৰাইজৰ মাজত লৈ ফুৰিম"। সেই মৰ্মে সুধাকণ্ঠই সূৰ্য দাসক কলকাতালৈ লৈ গৈছিল সংগীত সাধনাৰ জগতখনলৈ। কলাগুৰু বিষ্ণুৰাভা, নটসূৰ্য ফনী শৰ্মা, শোণিত কোঁৱৰ গজেন বৰুৱা আদি মহান শিল্পীসকলৰ সৈতে মধুৰ সম্পৰ্ক থকা সূৰ্য দাসে সংগীতৰ পথাৰত দৌৰা-ঢপৰা কৰি ফুৰিলেও ১৯৫৯ চনত কলিকতাৰ পৰা ঘুৰি আহি গুৱাহাটীৰ বি বৰুৱা কলেজৰ পৰা স্নাতক ডিগ্ৰী লাভ কৰিছিল। উল্লেখ্য যে ১৯৭৯ চনৰ বিদেশী বহিষ্কাৰ আন্দোলনৰ অস্তিত্বৰ সংকটৰ প্ৰশ্নত তেওঁ সংগীতৰ মাজেৰে জনগণৰ মাজলৈ বেছিকৈ সোমাই গৈ আন্দোলনটোত সক্ৰিয় ভূমিকা গ্ৰহণ কৰিছিল। জলসিঞ্চন বিভাগৰ পৰা অৱসৰ গ্ৰহণ কৰাৰ পিছতো মৃত্যুৰ আগমুহূৰ্তলৈকে স্বদেশ প্ৰেমৰ গীতেৰে সকলোকে মোহিত কৰি গৈছিল।

গণশিল্পীগৰাকীৰ বহু গীতৰ ভিতৰত উল্লেখযোগ্য গীত সমূহ হ'ল "গুম গুম গাম গাম ষ্টোৰ চেইৰপাম/চেইপামে পাইপ গঢ়ে", "এই কলঙৰ পাৰে, এই কলঙৰ ঘাটে", "তাহানি আছিল গোপীনাথ আৰু অম্বিকা", "আমাৰে মইনা ডাঙৰ হৈ লুইতত সাঁতুৰিব", "আকৌ আহিম মই আকৌ আহিম", "এবাৰ গুলী খালে দুবাৰ আহিম", "চকুৰ পানীৰে স্বাধীনতা নাহে, মুক্তিৰ পতাকাই তাকেই কলে", শিল্পীগৰাকীৰ প্ৰতি সন্মান জনাই কামপুৰ বিভিন্ন দল-সংগঠনে বিভিন্ন সময়ত বিভিন্ন বঁটা তথা সম্বৰ্ধনা জনাইছিল।আৰোহন নামৰ সংস্থাটোৱে "কপিলী উপত্যকা বঁটা" ;তেঁতেলীসৰা আঞ্চলিক বিহু সন্মিলনী "নিশাৰী বঁটা" আৰু শেহতীয়াভাৱে অনুসূচিত জাতি মানচিত্ৰই বাহু কৈৱৰ্ত বঁটাৰে সন্মানিত কৰে। মানৱ দৰদী এই শিল্পীগৰাকী আজি পুৱাৰ ভাগত ধৰমতুলৰ উক্ত বাসগৃহটোৰ স্নানাগাৰলৈ যাব ওলোৱাৰ সময়তে অকস্মাত অসুস্থ হৈ মজিয়াত ঢলি পৰে। পৰিয়ালৰ লোকে তেওঁক ততাতৈয়াকৈ আনি মৰিগাঁও অসামৰিক চিকিৎসালয়ত ভৰ্তি কৰে যদিও চিকিৎসকে তেওঁক পুৱা ৮ মান বজাত মৃত্যু হোৱা বুলি ঘোষণা কৰে। উল্লেখ্য যে, মৰিগাঁও জিলা প্ৰশাসনে তেওঁৰ আবেদনৰ ভিত্তিত মৰিগাঁও জিলাৰ ধৰমতুলত এটা সাংস্কৃতিক প্ৰকল্প নিৰ্মাণৰ বাবে তেওঁক কিছু মাটি আৱন্টন দিছিল। এই প্ৰকল্পটোৰ কাম কাজ চোৱা-চিতা কৰিব বাবে তেওঁ গুৱাহাটীৰ পৰা প্ৰায়ে আহি ধৰমতুল মাধ্যমিক বিদ্যালয়ৰ সমীপতে থকা ভাড়াঘৰটোত থাকে। সেইদৰে কালিও আহি তেওঁ উক্ত ভাড়াঘৰটোত আছিল। আজি পুৱাতে ঘটা এই দুৰ্ভাগ্যজনক ঘটনাটোৰ খবৰ পোৱা মাত্ৰকে মৰিগাঁৱৰ জিলা আয়ুক্ত দেৱাশীষ শৰ্মা মৰিগাঁও অসামৰিক চিকিৎসালয়ত উপস্থিত হৈ নশ্বৰ দেহত শেষ শ্ৰদ্ধা জ্ঞাপন কৰে। ইফালে আজি পুৱাৰ ভাগতে গণ শিল্পী সূৰ্য দাসৰ মৃতদেহ মৰিগাঁও অসামৰিক চিকিৎসালয়ৰ পৰা আনি মৰিগাঁও জিলা ছাত্ৰ সন্থাৰ উদ্যোগত মৰিগাঁৱৰ ঐতিহ্যমণ্ডিত গান্ধীভৱনত ৰাজহুৱা ভাবে শ্ৰদ্ধাঞ্জলি জনোৱা হয়। শ্ৰদ্ধাঞ্জলি অনুষ্ঠানত মৰিগাঁৱৰ বিধায়ক ৰমাকান্ত দেউৰীয়ে গণশিল্পী গৰাকীৰ মৃত্যুত গভীৰ শোক প্ৰকাশ কৰাৰ লগতে নশ্বৰ দেহত শেষ শ্ৰদ্ধা জ্ঞাপন কৰে। তদুপৰি অসম সাহিত্য সভাৰ হৈ নগাঁও আঞ্চলিক কাৰ্যালয়ৰ সম্পাদক তথা জ্যেষ্ঠ সাংবাদিক প্ৰতাপ হাজৰিকা,অসম সাহিত্য সভাৰ কেন্দ্ৰীয় প্ৰচাৰ উপ-সমিতিৰ কাৰ্যকৰী সভাপতি তথা জ্যেষ্ঠ সাংবাদিক অজিত শৰ্মা, মৰিগাঁও জিলা সাহিত্য সভাৰ সম্পাদক ড০ অচ্যুত কুমাৰ দাস, সাংস্কৃতিক কৰ্মী ভদ্ৰেশ্বৰ ডেকা, সদৌ মৰিগাঁও জিলা ছাত্ৰ সন্থাৰ সভাপতি দিব্যজ্যোতি চৌধুৰী, সাধাৰণ সম্পাদক শিৱ দাস, প্ৰাক্তন সভাপতি দিপুল কুমাৰ নাথ, মৰিগাঁও সদৰ ছাত্ৰ সন্থাৰ সভাপতি, সম্পাদক, অসম সেনাৰ আহ্বায়ক হিমাংশু মহন্ত প্ৰমুখ্যে আছু কৰ্মী সকলে মৃতদেহত পুষ্প আৰু বস্ত্ৰ দি শেষ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। তেওঁৰ মৃতদেহ অসম গণ পৰিষদৰ মৰিগাঁও জিলা সমিতিৰ কাৰ্যালয়লৈ নি অগপৰ কেন্দ্ৰীয় সমিতিৰ সম্পাদক শান্তনু শৰ্মাৰ নেতৃত্বত দলটোৰ নেতা কৰ্মী সকলে শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। ইয়াৰ পিছতে তেওঁৰ মৃতদেহ গুৱাহাটীৰ নুনমাটিৰ বাসগৃহলৈ লৈ যোৱা হয় আৰু নৱগ্ৰহ শ্মশানত পৰিয়ালৰ লোক আৰু গুণমুগ্ধৰ উপস্থিতিত শেষ কৃত্য সম্পন্ন কৰা হয়। স্বনামধন্য শিল্পীগৰাকীয়ে মৃত্যুৰ সময়ত পত্নী, একমাত্ৰ পুত্ৰ, দুই জীয়ৰী, ভাতৃ-ভগ্নীসহ এখন বৃহৎ সংসাৰ আৰু বহু গুণমুগ্ধক এৰি থৈ যায়। গণ শিল্পী দাসৰ মৃত্যুত নগাঁও জিলা সাহিত্য সভা, কামপুৰ আঞ্চলিক শাখা সাহিত্য সভা, কামপুৰৰ যুৱ সমাজ, কৃষক মুক্তি সংগ্ৰাম সমিতি, বঢ়মপুৰ সমষ্টিৰ বিধায়ক জিতু গোস্বামী, ৰহা সমষ্টিৰ বিধায়ক শশী কান্ত দাস, তেঁতেলীসৰাৰ টুৱেলভ ষ্টাৰ ক্লাব, তেঁতেলীসৰা আঞ্চলিক বিহু সমিতি আদিয়ে গভীৰ শোক প্ৰকাশ কৰিছে। প্ৰাক্তন বিধায়ক ক্ৰমে হৰেন্দ্ৰ বৰা, মুনীন মহন্ত, সদৌ অসম ছাত্ৰ সন্থাৰ সভাপতি উৎপল শৰ্মা, সাংগঠনিক সম্পাদক ৰূপজ্যোতি মেধি, শিল্পী অশোক ডেকা, সাহিত্যিক মিলেশ্বৰ পাতৰ, মানৱ অধিকাৰ সংগ্ৰাম সমিতিৰ মুখ্য উপদেষ্টা বুবুমণি গোস্বামী, মৰিগাঁও জিলা সাংবাদিক সংস্থাৰ সভাপতি বিৰিঞ্চি কুমাৰ শৰ্মা, সম্পাদক জিতুমণি নাথ, মৰিগাঁও জিলা জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদ, গান্ধী ভৱন পৰিচালনা সমিতি,প্ৰাক্তন ছাত্ৰ সতীৰ্থ সন্মিলন, মৰিগাঁৱৰ বীৰ লাচিত সেনা,মধ্য অসম কোচ ৰাজবংশী ছাত্ৰ সন্থা, সদৌ অসম সাংবাদিক সন্থা (আজু)ৰ মৰিগাঁও জিলা সমিতি, তিৱা স্বায়ত্ব পৰিষদ, তিৱা সাহিত্য সভা, সদৌ তিৱা ছাত্ৰ সন্থা, সদৌ কলিতা ছাত্ৰ সন্থা, মৰিগাঁও জিলা কৰ্মচাৰী পৰিষদ, লেখিকা সমাৰোহ, লেখিকা সংস্থা, জ্যেষ্ঠ নাগৰিক সভা, মহাবাহু সাংস্কৃতিক গোষ্ঠীকে ধৰি বহু দল সংগঠন আৰু ব্যক্তিয়ে গভীৰ শোক প্ৰকাশ কৰিছে। ইফালে, শিল্পীগৰাকীৰ শেষকৃত্য ৰাজ্যিক মৰ্যাদাৰে সম্পন্ন নকৰাত একাংশ দল-সংগঠনে আপত্তি কৰিছে।

• ইউনিক বৰা ফটোগ্ৰাফী ইনষ্টিটিউট •
UniqueBorah.Com
• অসমীয়া মাধ্যমত শিকক ফটোগ্ৰাফী আৰু ইডিটিংৰ প্ৰতিটো কথা •
88764 90887
• গুৱাহাটীত অৱস্থিত উন্নত মানদণ্ডৰ ষ্টুডিঅ'ত শিক্ষা গ্ৰহণৰ সুবিধা •
নামভৰ্তিৰ বাবে ওপৰৰ নংত যোগাযোগ কৰক।
• আসন সীমিত, শীঘ্ৰেই যোগাযোগ কৰক •

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# চুমা খাই ফুৰাৰ বাদে ভাল কাম

সকলোৱে এতিয়া অত্যন্ত তৰল কথাৰে বিৰোধীক আক্ৰমণ কৰিবলৈ আৰম্ভ কৰিছে। তাৰ মাজতে এইবাৰ অসমৰ মুখ্যমন্ত্ৰীয়ে কি ভাল কাম কৰিছে তাৰ উত্তৰ দিবলৈ গৈ অখিল গগৈয়ে কৰা মন্তব্যই লাভ কৰিছে বিশেষ চৰ্চা। অখিল গগৈয়ে আজি কয়, “মুখ্যমন্ত্ৰীয়ে ভাল কাম এটাই কৰিছে যে মাজে মাজে মানুহ বিলাকক মিটিঙলৈ যাওতে ৰং-ৰইছ কৰিবলৈ দিয়ে। মাজে মাজে তেওঁৰ গালত চুমা খাই দিয়ে সেইটোকে ভাল কাম কৰিছে। এইটোৰে ফুৰ্তি এটা দিছে মানুহক। বোৱাৰীবিলাকে মাজে সময়ে দুটা-এটা চুমা খাই। তাকে ছ'চিয়েল মিডিয়াত দি দিয়ে। মানুহে অলপ সময়ৰ বাবে ফুৰ্তি এটা পায়। তাৰ বাহিৰে মুখ্যমন্ত্ৰীৰ ভাল কাম এটাও নাই।” আজি সংবাদ মাধ্যমৰ মুখ্যমুখি হৈ অখিল গগৈয়ে অসমখনত ধ্বংস কৰাৰ ক্ষেত্ৰত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা এক নম্বৰত আছে বুলি দাবী কৰে। অসমৰ ডাঙৰ ডাঙৰ যিকেইটা কেলেংকাৰী যেনে লুই বাৰ্জাৰ, সাৰদা, উত্তৰ কাছাৰৰ এহেজাৰ কোটি টকীয়া কেলেংকাৰী সকলোতে মুখ্যমন্ত্ৰীৰ নাম আছে। মুখ্যমন্ত্ৰীৰ কেলেংকাৰীৰ তালিকা গাই থকাৰ সময়তে সাংবাদিকে অখিল গগৈক সুধিছিল যে মুখ্যমন্ত্ৰীয়ে ভাল কাম কি কৰিছে? তেতিয়াই অখিল গগৈয়ে উত্তৰ দি কয় যে বোৱাৰীবিলাকে মাজে-সময়ে দুটা এটা চুমা খাই, তাকে ছ'চিয়েল মিডিয়াত দি দিয়ে। মানুহে অলপ সময়ৰ বাবে ফুৰ্তি এটা পায়। তাৰ বাহিৰে মুখ্যমন্ত্ৰীৰ ভাল কাম এটাও নাই।' লগতে অখিল গগৈয়ে হিমন্ত বিশ্ব শৰ্মাৰ চৰকাৰ ফেচিষ্ট আৰু হিটলাৰীতন্ত্ৰত পৰিণত হৈছে বুলি কয়। চৰকাৰ আৰু হিমন্ত বিশ্ব শৰ্মাক আক্ৰমণ কৰি অখিল গগৈয়ে কয় যে মুখ্যমন্ত্ৰীয়ে চিঞৰি চিঞৰি কৈ আছে যে ৰাজবৰনৰ সন্মুখত আৰু জনতা ভৱনৰ সন্মুখত ধৰ্ণা দিব নোৱাৰিব। হিমন্ত বিশ্ব শৰ্মাৰ গালত খৰ হৈছে। অখিল গগৈৰ গাত দৰৰ লগালে কিবা কাম হ'ব নেকি? জনতা ভৱন, অসম চৰকাৰৰ গণ্ডগোল হৈছে। জনতা ভৱনত ধৰ্ণা নিদি কাজিৰঙাত দিব নেকি? গঁড়ৰ সন্মুখত ধৰ্ণা দিব নে অসমৰ মুখ্যমন্ত্ৰী আৰু ৰাজ্যপালৰ সন্মুখত ধৰ্ণা দিব। চৰকাৰ ফেচিষ্ট চৰকাৰত পৰিণত হৈছে। কাৰোৰে কথা নুশুনে। স্বৈৰাতান্ত্ৰিক চৰকাৰে ফেচবুকত লিখিলে, প্ৰতিবাদ কৰিলে জেলত ভৰাই দিয়ে। আজি কৈছে যে হিমাচল প্ৰদেশৰ পৰা আহি এজন সৰ্বভাৰতীয় নেতাই প্ৰতিবাদ কৰিব নোৱাৰিব। জেলত ভৰাই দিয়াৰে দৰকাৰ আছিল বুলি ফেচিষ্ট কথা কৈছে। এই মানুহজনৰ হৈছে কি? চাৰিজন মানুহক নতুনকৈ মন্ত্ৰিত্ব দিলে। তাৰ পিছতে নটিচ উলিয়াই দিলে যে চাৰিজন মন্ত্ৰীক ফাইল চুবলৈ দিয়া নহ'ব। মন্ত্ৰী হ'ব কোনোবা, ফাইল চুব তেওঁ। আকৌ কৈছে যে মন্ত্ৰীবিলাকে মাত মাতিব নোৱাৰিব। অখিল গগৈ, ভূপেন বৰা, বিৰোধী দলক মাত মাতিব নিদিব। ৰাজভৱনত মাত মাতিব নিদিব। জনতা ভৱনতো মাত মাতিব নিদিব। ফেচবুকতো মাত মাতিব নিদিব। মন্ত্ৰীয়েও একো ক'ব নোৱাৰিব। কেৱল মাত মাতিব পাৰিব হিমন্ত বিশ্ব শৰ্মাই। এইখন কি দেশ বনাব খুজিছে? এই চৰকাৰে প্ৰতিশ্ৰুতি দিছিল অসমক এক নম্বৰ ৰাজ্য কৰাৰ। আজি স্মাৰ্ট মিটাৰ লগোৱাৰ ক্ষেত্ৰত অসম এক নম্বৰত। স্মাৰ্ট মিটাৰ লগাই অসমৰ মানুহক লুণ্ঠন কৰাৰ ক্ষেত্ৰত এক নম্বৰত আছে অসম। সমগ্ৰ দেশত ৩৫ লাখ মান স্মাৰ্ট মিটাৰ লাগিছে তাৰে ২৫ লাখ অসমত লাগিছে। মাতৃয়ে নৱজাতক জন্ম দিয়াৰ সময়ত নৱজাতকৰ মৃত্যুৰ হাৰত অসম এক নম্বৰত আছে। আধাতে স্কুল এৰি দিয়া (ড্ৰেপ আউট) ছাত্ৰ-ছাত্ৰীৰ হাৰ দেশৰ ভিতৰত অসম এক নম্বৰত আছে। প্ৰসূতিৰ মৃত্যুৰ ক্ষেত্ৰত অসম ভাৰতৰ ভিতৰত এক নম্বৰত আছে। জনমুৰি আয়ৰ ক্ষেত্ৰত তালিকাৰ তলৰ ফালৰ পৰা চাৰি নম্বৰত আছে অসম। ভুৱা এনকাউন্টাৰৰ ক্ষেত্ৰত ভাৰতৰ ভিতৰত অসম এক নম্বৰত। অসম এতিয়া বেয়া কামত এক নম্বৰত। দুই নম্বৰীত এক নম্বৰত। ভালত কিন্তু তলৰ ফালৰ পৰা অসম এক নম্বৰত আছে বুলি হিমন্ত বিশ্ব শৰ্মাক কটুক্তি কৰে অখিল গগৈয়ে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# উত্তৰ-পূব পৰিষদৰ বৈঠকত ড্ৰাগছৰ

কাৰ্যসূচীৰে আজিৰে পৰা অনুষ্ঠিত হৈছে। কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহ, উত্তৰ-পূব উন্নয়ন দপ্তৰৰ মন্ত্ৰী জ্যোতিৰাদিত্য সিন্ধিয়া, কেন্দ্ৰীয় ৰাজ্যিক মন্ত্ৰী ড০ সুকান্ত মজুমদাৰ আৰু উত্তৰ-পূৰ্বাঞ্চলৰ মুখ্যমন্ত্ৰীসকল, ৰাজ্যপালসকলৰ উপস্থিতিত বৈঠক অনুষ্ঠিত হৈছে। ২০০৮ চনৰ পিছত দ্বিতীয়বাৰ আগৰতলা ঐতিহাসিক প্ৰজ্ঞা ভৱনত দুই কেন্দ্ৰীয় মন্ত্ৰী আৰু ৮ মুখ্যমন্ত্ৰী, ৰাজ্যপালসকলৰ উপস্থিতিত কেন্দ্ৰীয় গৃহ মন্ত্ৰী অমিত শ্বাহে বৈঠকৰ অধ্যক্ষতা কৰে উত্তৰ-পূৰ্বাঞ্চলৰ ৰাজ্যসমূহৰ একাংশ উচ্চ পদস্থ বিষয়াও উপস্থিত থাকে। বৈঠকত মুখ্যত উন্নয়ন বিষয়ক অগ্ৰাধিকাৰ দি আলোচনা কৰা হয়। কেন্দ্ৰীয় গৃহ মন্ত্ৰীয়ে উত্তৰ-পূৰ্বাঞ্চলৰ সৈতে আন্তঃৰাষ্ট্ৰীয় সমীনাত সংলগ্ন এলেকাত ড্ৰাগছসহ নিচাযুক্ত দ্ৰব্যৰ চোৰাং ব্যৱসায়ক অত্যাধিক গুৰুত্ব প্ৰদান কৰে। সীমান্তক ড্ৰাগছসহ নিচাযুক্ত দ্ৰব্যৰ চোৰাং ব্যৱসায়ৰ বাবে ব্যৱহাৰ হোৱাৰ প্ৰসংগ উল্লেখ কৰি এতিয়াও নিয়ন্ত্ৰণ নোহোৱাত আক্ষেপ প্ৰকাশ কৰিছে। বৈঠক কেন্দ্ৰীয় চৰকাৰ তথা গৃহ বিভাগৰ পৰা বক্তব্য ৰাখি অমিত শ্বাহে উত্তৰ-পূব ভাৰতত ড্ৰাগছ আৰু নিচাজাতীয় পদাৰ্থ সম্পূৰ্ণৰূপে নিৰ্মূল কৰিবলৈ উপস্থিত মুখ্যমন্ত্ৰী, ৰাজ্যপাল আৰু উচ্চপদস্থ বিষয়াসকল আহ্বান জনায়। ৰাজ্য চৰকাৰসমূহক ড্ৰাগছ আৰু নিচাজাতীয় পদাৰ্থ বিপদ হিচাপে লৈ মোকাবিলা কৰিবলৈ পৰ্যাপ্ত পদক্ষেপ ল'বলৈ আহ্বান জনায়। অমিত শ্বাহে স্পষ্ট কৰে যে শান্তিপূৰ্ণ পৰিৱেশত উন্নয়ন আৰু উত্তৰ-পূবৰ পৰা ড্ৰাগছৰ অপব্যৱহাৰৰ ‘কলংক’ তথা ‘দাগ’ পৰিষ্কাৰ হ'ব লাগিব। ড্ৰাগছৰ দ্বাৰা কেৱল ধ্বংস আৰু ধ্বংস হয় বুলি দাবী কৰি ৰাজ্যপাল আৰু মুখ্যমন্ত্ৰীসকলক এই ভয়ংকৰ সমস্যা নিৰ্মূলৰ বাবে কাম কৰিবলৈ পৰামৰ্শ দিয়ে। ৰাজ্যত থকা জিলা পৰ্যায়ৰ সমিতিসমূহ শক্তিশালী কৰিবলৈ আহ্বান জনায়। তিনিদিনীয়া ভ্ৰমণসূচীৰে শুকুৰবাৰে উপস্থিত হোৱা গৃহমন্ত্ৰী অমিত শ্বাহে ১৯৭২ চনত প্ৰতিষ্ঠা কৰা ৭২ সংখ্যক উত্তৰ-পূব পৰিষদৰ বৈঠকত সভাপতিত্ব কৰি ৫২ বছৰত উন্নয়ন আৰু বিকাশ নিশ্চিত কৰাৰ ক্ষেত্ৰত সংস্থাটোৱে পালন কৰা কাৰ্যকৰী ভূমিকা পালনৰ কথা স্বীকাৰ কৰে। আজি গৃহমন্ত্ৰীয়ে ৩১ মিনিট ভাষণ দিয়ে। ভাষণত উত্তৰ-পূবৰ সৰ্বাংগীন উন্নয়ন আৰু শান্তি বাহালৰ বাবে পদক্ষেপ আৰু কাৰ্যসূচীৰ ওপৰত গুৰুত্ব আৰোপ কৰা হয়। বিভিন্ন সশস্ত্ৰ গোট আৰু জাতিগত সংগঠনৰ সৈতে ২০ খনতকৈও অধিক শান্তি চুক্তি আৰু প্ৰায় ৯,০০০ উগ্ৰপন্থীৰ আত্মসমৰ্পণ নিশ্চিত কৰা হৈছে। শান্তি বাহল হোৱাত এতিয়া সকলো খণ্ডত উন্নয়নৰ বাবে কাম কৰি যোৱাৰ সময় আহি পৰিছে। দূৰ সংযোগক উন্নয়নৰ এক অপৰিহাৰ্য অংশ হিচাপে উল্লেখ কৰি অমিত শ্বাহে কয় যে উত্তৰ-পূবে শীঘ্ৰেই বাকী বিশ্বৰ সৈতে সম্পৰ্ক সম্পূৰ্ণ কৰিব। য'ত বাংলাদেশ সম্পৰ্কীয় বিষয়সমূহো সম্পূৰ্ণ হ'ব। কেন্দ্ৰত বিজেপি নেতৃত্বাধীন চৰকাৰে যোৱা ১০ বছৰত অঞ্চলটোত ৭৫ টাতকৈও অধিক গুৰুত্বপূৰ্ণ আন্তঃৰাষ্ট্ৰীয় পৰ্যটন স্থলী গঢ়ি তুলিবলৈ সহায় কৰিছে। উন্নয়নৰ গতিপথে হাজাৰ হাজাৰ সংস্থাপনৰ সুযোগ সৃষ্টি কৰাত সহায় কৰিছে। বিনিয়োগ আৰু ঔদ্যোগিক বিকাশক উৎসাহিত কৰাৰ লগতে স্থানীয় অৰ্থনীতিকো বিকাশৰ বাবে উৎসাহিত কৰিব লাগে। গৃহমন্ত্ৰীয়ে জৈৱিক কৃষিৰ পৰ্যাপ্ত পৰিসৰ আৰু প্ৰাকৃতিক সম্পদৰ টেপিং সন্দৰ্ভত কয় যে প্ৰধানমন্ত্ৰীয়ে পৰিকল্পনা কৰা অষ্ট লক্ষ্মীৰ ধাৰণাই অঞ্চলটোত শান্তি, প্ৰগতি, সংযোগ আৰু উন্নয়ন প্ৰাপ্ত কৰাৰ বাবে যথেষ্ট উৎসাহজনক। গৃহমন্ত্ৰীয়ে আশ্বাস দিয়ে যে উত্তৰ-পূব ভাৰত সম্পৰ্কীয় সকলো বিদ্যমান আঁচনি আৰু প্ৰকল্প অহা তিনি বছৰৰ ভিতৰত সম্পূৰ্ণ কৰা হ'ব। উত্তৰ-পূব পৰিষদৰ বৈঠক কাইলৈ সমাপ্ত হ'ব। কাইলৈ বৈঠক সমাপ্ত হোৱাৰ পাছতে কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে চাৰিটা অনুষ্ঠানত অংশগ্ৰহণৰ সম্ভাৱনা আছে। নৰ্থ ইষ্ট বেংকাৰ কনক্লেভ, উত্তৰ-পূব মহাকাশ আবেদন কেন্দ্ৰৰ দ্বাদশ বৈঠক, ধলাই জিলাৰ আমাবাচা উপ-বিভাগ পৰিদৰ্শন, ব্ৰু শৰণাৰ্থীৰ সৈতে বাৰ্তালাপ কৰিব পাৰে।

Nucleomed- পেটচিটি স্কেন / PETCT Scan- 970701223

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# চাৰি বছৰ ধৰি আহি নাপালে মূৰ্তি!

জুইকুৰাত ফুঁ দিয়া সংগ্ৰামী শিল্পী সূৰ্য দাস অচিন পৃথিবীলৈ আজি ২১ ডিচেম্বৰৰ নিচেই পুৱাতে আতৰি গ'ল। এই গৰাকী জনতাৰ যুগদৰদী শিল্পীৰ জীৱন্ত কালৰ বহু আশা আশা হৈয়ে ৰ'ল। তেওঁৰ আশা আছিল মৃত্যু পিছতো জন্মভূমি নিশাৰীৰ পাৰৰ মানুহখিনিৰ মাজত থাকি যোৱাতো। সেয়ে সভাই-সমিতিয়ে শিল্পী গৰাকীয়ে কৈছিল, "মই গাঁৱৰ মানুহ; মই মাটিৰ মানুহ আৰু মই গাঁৱৰ এই মানুহখিনিৰ লগত সদায় থাকিব বিচাৰো।" সেয়ে শিল্পীগৰাকীয়ে আশা কৰিছিল তেখেতৰ শেষকৃত্যও জন্মভূমি তেঁতেলীসৰাৰ নিশাৰী পাৰতে হওঁক। শিল্পীগৰাকীৰ জন্মস্থানত সদায় জীৱন্ত হৈ থকাৰ দুৰ্বাৰ আশাবোৰ আশা হৈয়ে ৰ'ল। এই আকাংক্ষা বাস্তবায়িত কৰাৰ অৰ্থে অঞ্চলটোৰ এদল যুবকে জীৱন্ত কালতে শিল্পীগৰাকীৰ এটি পূৰ্ণাংগ মূৰ্তি নিৰ্মাণৰ বাবে প্ৰস্তুতি হাতত লৈ শিল্পীৰ জন্ম অঞ্চলত উৎসাহপূৰ্ণ ৰাজহুৱা সভা পাতি নিৰ্মাণ সমিতিৰ বাবে অসম মীন বিভাগৰ বিতৰ্কিত বিষয়া পদ্মকান্ত হাজৰিকাক সভাপতি আৰু অন্যগৰাকী সভাপতিৰ সোঁহাত স্বৰূপ বিতৰ্কিত ৰুবুল দাসক সম্পাদক হিচাপে লৈ সমিতি গঠন কৰে ২০২০ চনত। জনামতে বহু ব্যক্তিৰ পৰা ধন সংগ্ৰহ কৰি গুৱাহাটীত শিল্পীগৰাকীৰ প্ৰতিমূৰ্তি নিৰ্মাণ সম্পূৰ্ণ কৰে। সেই কথা জানি গাৱঁৰ ৰাইজে শিল্পীগৰাকীক গাৱঁলৈ মাতি আনি ৰাইজে মূৰ্তি স্থাপনৰ আধাৰশিলা স্থাপন কৰাৰ আজি চাৰি বছৰৰ অন্ততো নিৰ্মাণ সমিতিয়ে মূৰ্তি স্থাপন নকৰিলে আৰু আজি তেনেকৈয়ে আশা লৈয়েই শিল্পীগৰাকীয়ে ইহলীলা সম্বৰণ কৰিলে। মূৰ্তি নিৰ্মাণ সমিতিয়ে জনতাৰ শিল্পীগৰাকীৰ আদ্য শ্ৰাদ্ধৰ ভিতৰতে পূৰ্ণাংগ মূৰ্তি স্থাপন কৰিব বুলি এতিয়াও আশাৰে বাট চাই ৰৈছে অঞ্চলটোৰ ৰাইজে। ইয়াৰ অন্যথাই সমিতিয়ে শিল্পীগৰাকীক মৃত্যুৰ পিছতো অপমান কৰা সদৃশ হৈ পৰিব বুলিও ভিন্নজনে মত প্ৰকাশ কৰা পৰিলক্ষিত হৈছে। উল্লেখ্য যে, শিল্পীগৰাকীৰ শেষকৃত্য গুৱাহাটীৰ নৱগ্ৰহ শ্মশানত কৰা হয়।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# জিএছটিৰে পুনৰ জনতাক মাধমাৰ

হোৱা ৫৫ সংখ্যক জিএছটি পৰিষদৰ বৈঠকত জীৱন আৰু স্বাস্থ্য বীমাকে ধৰি অত্যাৱশ্যকীয় সামগ্ৰীৰ ওপৰত জিএছটি হ্ৰাস কৰা হ'ব বুলি অধীৰ অপেক্ষাত আছিল সাধাৰণ জনতা। কিন্তু এই বৈঠকে পুনৰ এবাৰ কঢ়িয়াই আনিলে নিৰাশাৰ বতৰা। কেন্দ্ৰীয় চৰকাৰে বিশেষকৈ জীৱন আৰু স্বাস্থ্য বীমাৰ প্ৰিমিয়ামৰ জি এছ টি হ্ৰাস কৰাৰ প্ৰস্তাৱ পিছুৱাই দি পুনৰবাৰ ৰাইজৰ ওপৰত বৃহৎ কৰ্‌ বোজা জাপি দিবলৈ সাজু হৈছে। বৈঠকত ব্যৱহৃত বৈদ্যুতিক বাহন আৰু ব্যৱহৃত তেল চালিত বাহনৰ বিক্ৰীৰ জি এছ টি ১৮ শতাংশলৈ বৃদ্ধি কৰা হৈছে। উল্লেখ্য যে এই জি এছ টিৰ হাৰ পূৰ্বে আছিল ১২ শতাংশ। আনহাতে পেকেট নথকা পপকৰ্ণৰ ওপৰত ৫ শতাংশ, পেকেজিং পপকৰ্ণত ১২ শতাংশ, আৰু কেৰামেল আৱৰণযুক্ত পপকৰ্ণৰ ওপৰত ১৮ শতাংশ জি এছ টি আৰোপ কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে কেন্দ্ৰীয় চৰকাৰে। ইয়াৰ উপৰিও কাপোৰৰ ওপৰতো ২৮ শতাংশ জি এছ টিৰ প্ৰস্তাৱ দিয়া হৈছে। ১০ হাজাৰ টকাতকৈ কম মূল্যৰ চাইকেল আৰু বটলত ভৰোৱা পানীৰ ওপৰত জিএছটি কিছু হ্ৰাস কৰা হৈছে যদিও এয়াও সাধাৰণ জনতাৰ বাবে সকাহদায়ক নহয়। জিএছটি পৰিষদৰ এই বৈঠকৰ পিছতে মূল্যবৃদ্ধিৰ পিতনিত ডুব যাব ধৰা সাধাৰণ জনতাৰ মাজত সৃষ্টি হৈছে তীব্ৰ অসন্তুষ্টিৰ। জম্মু-কাশ্মীৰৰ প্ৰাক্তন মুখ্যমন্ত্ৰী মেহবুবা মুফতিয়ে কয় যে ২৮ শতাংশ জি এছ টিৰ ফলত কাশ্মীৰৰ পৰম্পৰাগত বস্ত্ৰ উদ্যোগ বিপন্ন হ'ব। ইয়াক লৈ বস্ত্ৰ উদ্যোগৰ ব্যৱসায়ীসকলেও ক্ষোভ প্ৰকাশ কৰি চৰকাৰক এই বিষয়ত জবাবদিহিতাৰ দাবী জনাইছে। মন কৰিবলগীয়া যে, এই বৈঠকত চৰকাৰে অত্যাৱশ্যকীয় সামগ্ৰীৰ ওপৰত আৰোপ কৰা জিএছটি হ্ৰাস কৰিব বুলি আশা কৰা হৈছিল যদিও বৈঠকত সাধাৰণ জনতাক পক্ষত কোনো গুৰুত্বপূৰ্ণ সিদ্ধান্ত গ্ৰহণ কৰা পৰিলক্ষিত নহ'ল। ইয়াৰ বিপৰীতে চৰকাৰে বৰ্ধিত মূল্য আৰু কৰৰ বোজাৰে পুনৰবাৰ নাগৰিকক বিপদত পেলোৱাতো স্পষ্ট হৈ পৰিছে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# ৰাছিয়াত ৯/১১ আৰ্হিত আক্ৰমণ!

ক'লা ধোঁৱাই আবৰি ধৰে। আক্ৰমণৰ ফলত কেইবাটাও ওখ অট্টালিকাত অগ্নিকাণ্ড সংঘটিত হয় যদিও কোনো লোকে প্ৰাণ হেৰুওৱা নাই বুলি স্পষ্ট কৰিছে ৰাছিয়া প্ৰশাসনে। মস্কোৱে দাবী কৰা মতে, এই আক্ৰমণ সংঘটিত কৰাৰ আঁৰত আছে ইউক্ৰেইন। ৰাছিয়াৰ এয়াৰ ডিফেন্স চিষ্টেমে কেইবাখনো ড্ৰোন আকাশমাৰ্গতে ধ্বংস কৰিবলৈ সক্ষম হোৱা বুলিও দাবী কৰে। এই আক্ৰমণৰ পিছতে কাজান বিমানবন্দৰ বন্ধ কৰি দিয়া হয় আৰু নিৰাপত্তাজনিত কাৰণত সকলো বিমানৰ উৰণ স্থগিত ৰখা হয়। ৰাছিয়াৰ সংবাদ সংস্থা টাছে প্ৰকাশ কৰা অনুসৰি এই আক্ৰমণত মুঠ আঠখন ড্ৰ'ন ব্যৱহাৰ কৰা হৈছিল, যিয়ে একেলগে তিনিটা ওখ অট্টালিকাত আক্ৰমণ চলাইছিল। ইফালে, ভিডিঅ' ফুটেজত দেখা গৈছে যে ড্ৰ'নসমূহ আকাশচুম্বী অট্টালিকাত খুন্দা মাৰি বিস্ফোৰণ ঘটে। প্ৰণিধানযোগ্য যে, ২০০১ চনৰ ১১ ছেপ্টেম্বৰত আমেৰিকাৰ নিউয়ৰ্কৰ ৱৰ্ল্ড ট্ৰেড চেণ্টাৰৰ টুইন টাৱাৰত অনুৰূপ ধৰণেই আক্ৰমণ সংঘটিত হৈছিল। ৰাছিয়া চৰকাৰে এই আক্ৰমণ সন্দৰ্ভত এতিয়াও কোনো সবিশেষ প্ৰকাশ কৰা নাই যদিও স্থানীয় কৰ্তৃপক্ষই তদন্ত আৰম্ভ কৰিছে। ৰাছিয়াত সংঘটিত এই ঘটনাৰ পিছত আন্তঃৰাষ্ট্ৰীয় মহলতো উদ্বেগ বাঢ়িছে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# ৪৩ বছৰৰ পিছত কুৱেইটত ভাৰতৰ

৪৩ বছৰৰ পিছত দুদিনীয়া ভ্ৰমণসূচীৰে শনিবাৰে কুৱেইটত উপস্থিত হয় প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী। এই ভ্ৰমণৰ সময়ত কুৱেইটৰ যুৱৰাজ আমিৰ শ্বেখ মেছাল আল আহমেদ আল-জাবেৰ আল ছাবাহৰ আমন্ত্ৰণত গুৰুত্বপূৰ্ণ দ্বিপাক্ষিক আলোচনা আৰু চুক্তি স্বাক্ষৰ কৰাৰ লগতে প্ৰৱাসী ভাৰতীয়সকলক সাক্ষাৎ কৰিব প্ৰধানমন্ত্ৰী মোদীয়ে। উল্লেখ্য যে, ১৯৮১ চনত তদানীন্তন প্ৰধানমন্ত্ৰী ইন্দিৰা গান্ধীৰ ভ্ৰমণৰ পিছত ভাৰতৰ প্ৰধানমন্ত্ৰীয়ে প্ৰথমবাৰৰ বাবে কুৱেইট ভ্ৰমণ কৰিছে। প্ৰধানমন্ত্ৰীৰ এই ভ্ৰমণক ঐতিহাসিক আখ্যা দিছে ভাৰতৰ বৈদেশিক মন্ত্ৰালয়ৰ সচিব অৰুণ কুমাৰ চেটাৰ্জীয়ে। তেওঁৰ মতে, এই ভ্ৰমণে দুয়োখন দেশৰ সম্পৰ্কত এক নতুন অধ্যায় মুকলি কৰিব। এই ভ্ৰমণকালত প্ৰতিৰক্ষা সহযোগিতা শক্তিশালীকৰণ, ব্যৱসায় আৰু বাণিজ্য সম্প্ৰসাৰণ, উপসাগৰীয় সহযোগিতা পৰিষদৰ সৈতে সম্পৰ্ক শক্তিশালী কৰা আদি বিষয়সমূহ আলোচনা কৰা হ'ব। মন কৰিবলগীয়া যে, ভাৰত আৰু কুৱেইটৰ মাজত অৰ্থনৈতিক আৰু কূটনৈতিক সম্পৰ্ক অতি গুৰুত্বপূৰ্ণ। দেশৰ শ্ৰমিক শক্তিৰ প্ৰায় ৩০ শতাংশ কুৱেইটত প্ৰবাসী ভাৰতীয়। ভাৰতলৈ খাৰুৱা তেল যোগান ধৰা দেশৰ ভিতৰত কুৱেইটৰ স্থান ষষ্ঠ। এই ভ্ৰমণত প্ৰতিৰক্ষা, উদ্যোগ, আৰু বাণিজ্য খণ্ডত সহযোগিতা বৃদ্ধি পোৱাৰ লগতে কিছুমান গুৰুত্বপূৰ্ণ চুক্তি স্বাক্ষৰ হোৱাৰ সম্ভাৱনা আছে। অৱশ্যে এই ভ্ৰমণে ৰাজনৈতিক বিতৰ্কৰো সৃষ্টি কৰিছে। কংগ্ৰেছ নেতা জয়ৰাম ৰমেশে মোদীৰ কুৱেইট ভ্ৰমণক লৈ সমালোচনা কৰি মণিপুৰৰ প্ৰসংগ উত্থাপন কৰে। তেওঁ কয় যে প্ৰধানমন্ত্ৰীয়ে অশান্ত মণিপুৰ ভ্ৰমণ কৰিবলৈ সময় উলিয়াব পৰা নাই, কিন্তু কুৱেইটৰ যুৱৰাজৰ আমন্ত্ৰণ গ্ৰহণ কৰাত কোনো সমস্যা নাই। এই বিতৰ্কৰ মাজতে কুৱেইটত মোদীৰ সূচী অতি ব্যস্ত বুলি জানিব পৰা গৈছে। মোদীৰ এই ভ্ৰমণৰ পিছতে প্ৰতিৰক্ষাৰ পৰা ফুটবল টুৰ্ণামেণ্টলৈকে কুৱেইটৰ সৈতে ভাৰতৰ দ্বিপাক্ষিক সম্পৰ্ক একাধিক ক্ষেত্ৰত অধিক শক্তিশালী হৈ উঠিব বুলি আশা কৰা হৈছে। এই ভ্ৰমণে বিশ্বৰ শেহতীয়া ভূ-ৰাজনৈতিক পৰিস্থিতিত ভাৰতৰ শক্তিও বৃদ্ধি কৰিব।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# মুখ্যমন্ত্ৰীৰ কথা নামানি গুৱাহাটীত

এইবাৰো হিমন্ত বিশ্ব শৰ্মাই দিনক ৰাতি, ৰাতিক দিন কৰিছিল ঠিকেই, কিন্তু বিজেপিৰ ৰাজ্যিক সভাপতি আৰু নেতা-কৰ্মীয়ে কথা চহকী মুখ্যমন্ত্ৰীৰ দিন ৰাতিক একাকাৰ কৰি পেলালে। এদিন পূৰ্বে মুখ্যমন্ত্ৰীগৰাকীয়ে কংগ্ৰেছক তেওঁৰ নিজে সৃষ্ট জ্ঞানৰ বাণীৰে আন্দোলন কৰাটো ৰাজনৈতিক দলৰ কাম নহয় বুলি কৈছিল। কিন্তু মুখ্যমন্ত্ৰীয়ে আন্দোলন কৰাটো ৰাজনৈতিক দলৰ কাম নহয় বুলি কোৱাৰ কেইটামান ঘণ্টাৰ পিছতে অসম ৰাজ্যিক বিজেপিয়ে গুৱাহাটীত আন্দোলন কৰিলে। মুখ্যমন্ত্ৰীয়ে আন দলক জ্ঞান দিবলৈ যোৱাৰ সময়তে নিজ দলেই মুখ্যমন্ত্ৰীৰ জ্ঞাক ভৰিৰে মোহাৰি গুৱাহাটীত ৰাহুল গান্ধীৰ বিৰুদ্ধে আন্দোলন কৰি ৰাজপথত যান-জোঁটৰ সৃষ্টি কৰে। মুখ্যমন্ত্ৰীৰ দিহা-পৰামৰ্শক আওকান কৰি ৰাজ্যিক বিজেপিৰ নেতা-কৰ্মীয়ে আজি ৰাজপথত আন্দোলন কৰিবলৈ ওলাই আহে। ৰাহুল গান্ধীয়ে বিজেপিৰ মহিলা সাংসদক সংসদ ভৱন চৌহদত অপমান কৰাৰ অভিযোগ উত্থাপন কৰি আজি অসম ৰাজ্যিক বিজেপি আৰু গুৱাহাটী মহানগৰ জিলা সমিতিৰ উদ্যোগত গুৱাহাটীৰ ৰাজপথত উত্তাল প্ৰতিবাদ সাব্যস্ত কৰে। অসম প্ৰদেশ সমিতি আৰু গুৱাহাটী মহানগৰ জিলা সমিতিৰ আহ্বানত আজি পুৱাৰে পৰা লতাশিল খেলপথাৰত সমৱেত হয় কেইবা শতাধিক নেতা-কৰ্মী। নেতা-কৰ্মীৰ লগতে উপস্থিত থাকে ৰাজ্যিক সভাপতি ভবেশ কলিতা, ৰাজ্যিক সাংগঠনিক সাধাৰণ সম্পাদক জি আৰ ৰবীন্দ্ৰ ৰাজু, বিধায়ক দিপ্লু ৰঞ্জন শৰ্মা, সাধাৰণ সম্পাদক পল্লৱ লোচন দাস, গুৱাহাটীৰ সাংসদ বিজুলী কলিতা মেধি। এইসকল নেতা-কৰ্মীৰ উপস্থিতিত লতাশিল খেলপথাৰৰ পৰা জজ খেলপথাৰলৈ প্ৰতিবাদী সমদল উলিয়াই কংগ্ৰেছ আৰু ৰাহুল গান্ধীৰ বিৰুদ্ধে শ্ল'গান দি আকাশ-বতাহ কপাই তোলে। মল্লিকাৰ্জুন খাৰ্গে মুৰ্দাবাদ, ৰাহুল গান্ধী মুৰ্দাবাদ, ৰাহুল গান্ধী গ' বেক, কংগ্ৰেছ গ'ব বে'ক, গৌৰৱ গগৈ হায়ঃ হায়ঃ, মহিলা সাংসদক অপমান কৰা ৰাহুল গান্ধীক গ্ৰেপ্তাৰ কৰক আদি শ্ল'গানেৰে উত্তপ্ত পৰিস্থিতিৰ সৃষ্টি কৰে বিজেপিৰ নেতা-কৰ্মীয়ে। বিজেপিৰ নেতাসকলে ৰাহুল গান্ধীক শীঘ্ৰে গ্ৰেপ্তাৰৰ দাবী জনাই কয় যে ১৯ ডিচেম্বৰত সংসদ ভৱনত কংগ্ৰেছ নেতা ৰাহুল গান্ধীয়ে নাগালেণ্ডৰ বিজেপিৰ ৰাজ্যসভাৰ সাংসদ এচ ফাংনন কন্যাক দুৰ্ব্যৱহাৰ আৰু অপমানিত কৰে। যাৰ বাবে এই প্ৰতিবাদ সাব্যস্ত কৰিছে। ভবেশ কলিতাই কয় যে আমি ইয়াৰ পৰাই দেশবাসীক জনাই দিছো যে মহিলাৰ প্ৰতি যি অপমান, অত্যাচাৰ সেয়া বন্ধ হ'ব লাগে। কংগ্ৰেছ দলে ক্ষমা খুজিব লাগে। লোকসভাৰ ভিতৰত, অধ্যক্ষ, ৰাজ্যসভাৰ উপাধ্যক্ষৰ আগত ক্ষমা খোজক ৰাহুল গান্ধীয়ে। ৰাহুল গান্ধীক গ্ৰেপ্তাৰো কৰিব লাগে। লগতে মুখ্যমন্ত্ৰীয়ে এদিন পূৰ্বে ৰাজনৈতিক দলে আন্দোলন কৰিব নালাগে বুলি কোৱাৰ পিছতে বিজেপিয়ে প্ৰতিবাদ কৰিবলৈ ওলাই অহাত সাংবাদিকে ভবেশ কলিতাক প্ৰশ্ন কৰাত কলিতাই কয় যে আমি শান্তিপূৰ্ণভাৱে প্ৰতিবাদ কৰিছো। আমি অনুমতি লৈ ধৰ্ণা দিছো। আমি কংগ্ৰেছৰ দৰে নহয় যে নীতি-নিয়ম ভংগ কৰিম, আমি বেৰিকেড ভঙা পাৰ্টী নহয়। লগতে মুখ্যমন্ত্ৰীয়ে ৰাজনৈতিক দলে আন্দোলন কৰিব নালাগে বুলি কৈছিল তাৰ উত্তৰ দিবলৈ কোৱাত কলিতাই কয় যে মুখ্যমন্ত্ৰী মহোদয়ে ক'ব পাৰে কিন্তু আমি দল হিচাপে অনুমতি লৈছো। ১৮ ডিচেম্বৰত অসম প্ৰদেশ কংগ্ৰেছে 'ৰাজভৱন চলো' কাৰ্যসূচী ৰূপায়ন কৰাৰ সময়ত আৰক্ষীয়ে বাধা দি কন্দুৱা গেছ নিক্ষেপ কৰাত গেছৰ শ্বেল গাত লাগি নিহত হৈছিল মৃদুল ইছলাম নামৰ কংগ্ৰেছ কৰ্মীৰ। তাৰ পিছতে মুখ্যমন্ত্ৰীয়ে প্ৰতিক্ৰিয়া দি কৈছিল যে আন্দোলন কৰাটো ৰাজনৈতিক দলৰ কাম নহয়। আমিও কংগ্ৰেছ কৰিছো। কেতিয়াও ৰাজনৈতিক দল আন্দোলনকাৰী নহয়। ৰাজনৈতিক দলৰ আন্দোলন হয় ইলেকচনৰ বাকচত। যি কৰিব বিচাৰে মন্ত্ৰী, বিধায়ক হৈ কৰে। ৰাজনীতি কৰা দল কেতিয়াও ছাত্ৰ সংগঠন হ'ব নোৱাৰে, যুৱ সংগঠন হ'ব নোৱাৰে। মুখ্যমন্ত্ৰীৰ এই মন্তব্যৰ পিছতে হিমন্ত বিশ্ব শৰ্মাই কংগ্ৰেছৰ ডাঙৰ নেতা হৈ থকাৰ সময়তে বিজেপিয়ে দিনে-নিশাই প্ৰতিবাদকে কৰিছিল বুলি কৈ আহিছে। ইপিনে ৰাজনৈতিক দলে আন্দোলন নকৰে বুলি কোৱাৰ কেইঘণ্টামান পিছতে আন্দোলন কৰি মুখ্যমন্ত্ৰীৰ নাক কাটিলে অসমৰ বিজেপিৰ সভাপতি আৰু নেতা-সমৰ্থকে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# মুছলেকক অৱশেষত মুক্তি

কৰিলে চৰাইদেউৰ অসম-নগালেণ্ড সীমান্তৱৰ্তী নামতোলাৰ ব্যৱসায়ী মুছলেক আলীয়ে। আজি পুৱা নগা উগ্ৰপন্থী সংগঠন এনএছচিএন (গভৰ্ণমেণ্ট অৱ দা পিপুলছ ৰিপাব্লিক অৱ নাগালেণ্ড চমুকৈ জিপিআৰএন)-য়ে সংবাদ মাধ্যমলৈ প্ৰেৰণ কৰা এক ভিডিঅ' বাৰ্তা যোগে প্ৰকাশ কৰিছে এই কথা। ২৬ দিনৰ অন্তত আজি পুৱাই মুছলেকক নগালেণ্ডৰ অজ্ঞাত দুৰ্গম অঞ্চলত মুকলি কৰি দিয়ে নগা বিদ্ৰোহী সংগঠনটোৱে । অপহৃত মোছলেক আলীৰ ভাষ্য সম্বলিত ভিডিঅ' তথা এখন নিৰ্দেশনা পত্ৰ প্ৰেৰণ কৰে সংগঠনটোৱে। নিৰ্দেশনা পত্ৰত উল্লেখ কৰা অনুসৰি সীমান্ত অঞ্চলত একাংশ লোকে অবৈধ ড্ৰাগছৰ বেহা চলাই অসম আৰু নগালেণ্ড দুয়োখন ৰাজ্যৰ নৱপ্ৰজন্মক বিপথে পৰিচালিত কৰাৰ লগতে যুৱচামৰ ভৱিষ্যত ধ্বংস কৰাৰ ওপৰিও শান্তি-শৃংখলা বিঘ্নিত কৰিছে। ইয়াৰ পৰিপ্ৰেক্ষিতত সীমান্ত অঞ্চলত ভৱিষ্যতে কোনো লোকে অবৈধ ড্ৰাগছৰ বেহা চলালে চূড়ান্ত শাস্তি বিহা হ'ব বুলি সকিয়নী প্ৰদান নগা বিদ্ৰোহী সংগঠনটোৰ। উল্লেখ্য যে, নিষিদ্ধ ড্ৰাগছৰ বেহা চলোৱাৰ অভিযোগত অস্ত্ৰধাৰী নগাই শূণ্যলৈ বন্দুকৰ গুলী বৰ্ষণ কৰি নিজ বাসগৃহৰপৰাই অপহৰণ কৰি লৈ গৈছিল মোছলেক আলি নামৰ চৰাইদেউ জিলাৰ অসম-নগালেণ্ড সীমান্তৰ নামতোলাৰ ব্যৱসায়ী জনক। যি কথা অপহৰণৰ পাছত অজ্ঞাত স্থানৰ পৰা প্ৰেৰণ কৰা তিনিটা ভিডিঅ' বাৰ্তাত অপহৃত মোছলেক আলীয়ে নিজেই স্বীকাৰ কৰিছিল। আনহাতে অবৈধ নিষিদ্ধ ড্ৰাগছৰ বেহা চলোৱা মুছলেকৰ মুক্তিপণ হিচাপে ২৫ লাখ টকা নগা উগ্ৰপন্থী সংগঠনটোৱে দাবী কৰা বুলি ভিডিঅ' বাৰ্তাত স্পষ্টকৈ উল্লেখ কৰাৰ লগতে ঘৰ-সম্পত্তি বন্ধকত দি হলেও দাবীকৃত ধনৰাশিৰ ব্যৱস্থা কৰিবলৈ পৰিয়ালবৰ্গক অনুৰোধ জনাইছিল মোছলেকে। ইপিনে বিগত ২৫ নৱেম্বৰত অসমৰ মাটিত নগা উগ্ৰপন্থী সংগঠনে সংঘটিত কৰা অপহৰণ কাণ্ডৰ পাছত সৃষ্টি হৈছিল তীব্ৰ চাঞ্চল্য। অসমৰ মাটিত নগালেণ্ডৰ অস্ত্ৰধাৰী লোক আহি অপহৰণ কাণ্ড সংঘটিত কৰাৰ প্ৰতিবাদত নগালেণ্ডলৈ যোৱা পথ অৱৰোধ কৰি প্ৰতিবাদ সাব্যস্ত কৰিছিল কেইবাটাও দল-সংগঠনে। পৰৱৰ্তী সময়ত নগালেণ্ডৰ অন্যতম প্ৰধান সংগঠন কন্যাক ইউনিয়নৰ লগত সোণাৰিত সমস্যাটো সমাধানৰ বাবে আলোচনাত বহিছিল চৰাইদেউ জিলাৰ কেইবাটাও দল-সংগঠনে। ইফালে আজি পুৱা মুছলেক আলিক মুকলি কৰাৰ খবৰ পোহৰলৈ আহে যদিও সমগ্ৰ বিষয়টো সন্দৰ্ভত চৰাইদেউ আৰক্ষীয়ে মৌনতা অৱলম্বন কৰাহে পৰিলক্ষিত হয়। নগালেণ্ডৰ অজ্ঞাত স্থানত মুকলি কৰা মুছলেক আলিক উদ্ধাৰ সন্দৰ্ভত বৰ্তমানেও স্থিতি স্পষ্ট কৰা নাই আৰক্ষীয়ে। আৰক্ষীৰ পৰা লাভ এক সূত্ৰ অনুসৰি চৰাইদেউ জিলাত অবাধ হাৰত বৃদ্ধি পোৱা অসামাজিক কাৰ্যকলাপ তথা নিষিদ্ধ ড্ৰাগছৰ সৰবৰাহ সন্দৰ্ভত মুছলেক আলিৰ পৰা অধিক তথ্য লাভৰ উদ্দেশ্যে সুধাপোছাৰ বাবেই গোপনীয়তা অৱলম্বন কৰিছে আৰক্ষীয়ে। অধিক তথ্য পোহৰলৈ আহিলেই আৰক্ষীয়ে সকলো স্পষ্ট কৰিব পাৰে।

• ইউনিক বৰা ফটোগ্ৰাফী ইনষ্টিটিউট •
• অসমীয়া মাধ্যমত শিকক ফটোগ্ৰাফী আৰু ইডিটিংৰ প্ৰতিটো কথা •
• গুৱাহাটীত অৱস্থিত উন্নত মানদণ্ডৰ ষ্টুডিঅ'ত শিক্ষা গ্ৰহণৰ সুবিধা •
• আসন সীমিত, শীঘ্ৰেই যোগাযোগ কৰক •
UniqueBorah.Com
88764 90887
নামভৰ্তিৰ বাবে ওপৰৰ নংত যোগাযোগ কৰক।

# মৃদুল ইছলামৰ ঘৰত ৰমেন বৰঠাকুৰ, দুলু আহমেদ

**ই-সংবাদ, ২১ ডিচেম্বৰঃ** গুৱাহাটীত প্ৰতিবাদৰ সময়ত নিহত হোৱা কংগ্ৰেছ নেতা মৃদুল ইছলামৰ ঘৰলৈ যাবলৈ আৰম্ভ কৰিছে বিভিন্ন বিৰোধী দলৰ নেতা-কৰ্মী। বিভিন্ন দলৰ প্ৰতিনিধিয়ে প্ৰয়াত মৃদুল ইছলামৰ ঘৰলৈ গৈ পৰিয়ালটোৰ দুখৰ সমভাগী হৈছে। আজি তৃণমূল কংগ্ৰেছৰ অসম ৰাজ্যিক সমিতিৰ এটা প্ৰতিনিধি দলে মৃদুল ইছলামৰ বকো সমষ্টিৰ কিচমত কাঠমী গাঁৱৰ ঘৰত উপস্থিত হয়। অসম তৃণমূল কংগ্ৰেছৰ সভাপতি ৰমেন বৰঠাকুৰ আৰু মুখ্য সমন্বয়ক দুলু আহমেদ উপস্থিত থকা প্ৰতিনিধি দলটোৱে পৰিয়ালটোক সাক্ষাৎ কৰি গভীৰ শোক প্ৰকাশ কৰি মৃদুল ইছলামৰ আত্মাৰ সদ্গতি কামনা কৰে। পৰিয়ালটোক এখন চেক যোগে কিছু আৰ্থিক সাহায্য প্ৰদান কৰে দলটোৱে। ১৮ ডিচেম্বৰত স্মাৰ্ট মিটাৰ প্ৰত্যাহাৰ, আদানীৰ উৎকোঁচ কাণ্ডৰ তদন্ত, এক দেশ এক নিৰ্বাচনৰ বিৰোধিতা, মণিপুৰৰ হিংসা ৰোধ কৰি শান্তি বাহাল কৰাৰ দাবীত অসম প্ৰদেশ কংগ্ৰেছে ৰাজভৱনলৈ মিছিল উলিওৱাৰ সময়তে আৰক্ষীয়ে নিক্ষেপ কৰা কন্দুৱা গেছৰ শ্বেল দেহত লাগি মৃদুল ইছলাম নিহত হৈছিল।



নিউজিলেণ্ড মহিলা দলৰ বিৰুদ্ধে অষ্ট্ৰেলিয়া

# প্ৰণামী বাকচত পৰিল আইফোন, ঘূৰাই দিবলৈ অস্বীকাৰ

**নতুন দিল্লী, ২১ ডিচেম্বৰঃ** তামিলনাডুৰ চেংগলপট্টু জিলাৰ কন্দস্বামী মন্দিৰত এক অদ্ভুত আৰু বিতৰ্কিত ঘটনাৰ সাক্ষী হ'ল দীনেশ নামৰ এজন ভক্ত। মন্দিৰ দৰ্শনৰ সময়ত ভুলবশতঃ নিজৰ আইফোনটো প্ৰণামী বাকচত পেলাই দিয়াৰ পিছত তেওঁ সেই আইফোনটো ঘূৰাই বিচাৰে যদিও মন্দিৰ কৰ্তৃপক্ষই তেওঁক কয় যে সেই ফোনটো এতিয়া তেওঁৰ সম্পত্তি নহয়, এয়া এতিয়া ঈশ্বৰৰ সম্পত্তি। মন্দিৰ কৰ্তৃপক্ষৰ এই কথা শুনি হতভম্ব হৈ পৰে দীনেশ। মন্দিৰ কৰ্তৃপক্ষই জনোৱা মতে, ১৯৭৫ চনৰ প্ৰণামী বাকচ আইন অনুসৰি বাকচটোত যিখিনি ৰখা হয়, সেয়া মন্দিৰৰ সম্পত্তি বুলি গণ্য কৰা হয়। গতিকে ফোনটো ঘূৰাই দিয়া সম্ভৱ নহয়। অৱশ্যে যুৱকজনৰ অনুৰোধত কৰ্তৃপক্ষই এই বিষয়ত মন্দিৰৰ অন্যান্য বিষয়বিষয়াৰ সৈতে আলোচন কৰাৰ আশ্বাস দিয়ে। ইয়াৰ উপৰিও যুৱকজনক ফোনৰ পৰা প্ৰয়োজনীয় তথ্য লাভ কৰিবলৈ দিয়া হ'ব পাৰে বুলিও খবৰ আহিছে। ইফালে, তামিলনাডু হিন্দু ধৰ্মীয় আৰু দাতব্য এনডাউমেণ্ট বিভাগেও এই ঘটনা সন্দৰ্ভত নিজৰ স্থিতি স্পষ্ট কৰিছে। তেওঁলোকে কয় যে যিহেতু আইফোনটো মন্দিৰৰ প্ৰণামী বাকচত দিয়া হৈছে, সেয়েহে ই বৈধভাৱে মন্দিৰৰ সম্পত্তি হৈ পৰিছে। অৱশ্যে যুৱকজনৰ অনুৰোধ অনুযায়ী ক্ষতিপূৰণৰ কথা বিবেচনা কৰা হ'ব। লক্ষণীয় যে, এই অভাৱনীয় ঘটনাই এই প্ৰশ্ন উত্থাপন কৰিছে যে আইন আৰু নৈতিকতাৰ মাজত ভাৰসাম্য ৰক্ষা কৰি এনে পৰিস্থিতি কেনেকৈ চম্ভালিব লাগে। ঘটনা সন্দৰ্ভত খবৰ বিয়পি পৰাৰ পিছতে এতিয়া ছ'চিয়েল মিডিয়াত ভিন্ন মন্তব্য কৰিছে বিভিন্নজনে।






newsnextone.comৰ হৈ গুৱাহাটীৰ পৰা অনলাইনযোগে ছফি জামালৰ দ্বাৰা প্ৰকাশিত, ই-মেইলঃ newsnextne@gmail.com, যোগাযোগ/হোৱাটছএপ নম্বৰঃ ৯৩৬৫২২৫২৪৮, কাৰ্যালয়ঃ জ্যোতিনগৰ, বামুণীমৈদাম (বা-বাতৰিৰ বাবে বাৰ্তা সম্পাদক দায়বদ্ধ)

কাৰ্যবাহী সম্পাদক
ধ্ৰুৱজ্যোতি ধনন্তৰি